সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩৯ সংখ্যা, ১২ আহিন , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.39 Date Of Publication - 29 September 2024 Rs.10.00/-

## এন আৰ চিত নাম নথকা লোকসকলক গঁতিয়াই বাংলাদেশলৈ পঠিওৱা হ'বঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি)ত নাম নথকাসকলক গঁতিয়াই বাংলাদেশলৈ পঠিওৱা হ'ব। এয়াই আমাৰ নীতি। আইনগতভাৱে এই কাম কৰা হ'ব। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ঝাৰখণ্ডৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অবৈধ নাগৰিকক পুনৰ কঠোৰ সকীয়নি দি কয় যে ঝাৰখণ্ডতো এনআৰচি হ'ব। এনআৰচিত যিসকলৰ নাম নাহিব, তেওঁলোকক গঁতিয়াই গঁতিয়াই বাংলাদেশলৈ পঠিওৱা হ'ব। এনআৰচি কৰাৰ সময়ত সকলোকে নিজৰ পক্ষত ভাৰতীয় নাগৰিক হিচাপে প্ৰতিপন্ন কৰাৰ সুবিধা দিয়া হ'ব। আইন অনুসৰি সকলোৱে নিজকে ভাৰতীয় নাগৰিক হিচাপে প্ৰতিপন্ন কৰাৰ সুযোগ লাভ কৰিব। কিন্তু যিসকল লোকে ভাৰতীয় নাগৰিক বুলি প্ৰমাণ কৰিব নোৱাৰিব, তেওঁলোকক আইনগত প্ৰক্ৰিয়াৰে গঁতিয়াই গঁতিয়াই বাংলাদেশলৈ খেদি পঠিওৱা হ'ব। অসমৰ এনআৰচিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমত এনআৰচিৰ প্ৰথম পৰ্যায়ত ১৪ লাখ লোকক বাংলাদেশী বুলি চিনাক্ত কৰা হৈছে। তেওঁলোকৰ নাম এনআৰচিৰ পৰা বাদ পৰিছে। চৰকাৰৰ তৰফৰ পৰা



উচ্চতম ন্যায়ালয়ত আবেদন কৰা হৈছে। সীমান্ত অঞ্চলৰ জিলাত ২০ শতাংশ নমুনা পুনৰ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে ৰাজ্যখনত জনগাঁথনিৰ পৰিৱৰ্তন হোৱা নাই বুলি কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যখনত আদিবাসীৰ জনসংখ্যা কমিছে আৰু মুছলমানৰ জনসংখ্যা বাঢ়িছে। সেয়াই জনগাঁথনিৰ পৰিৱৰ্তন। ঝাৰখণ্ডৰ উচ্চ ন্যায়ালয়েও ইতিমধ্যে ৰাজ্যখনত হোৱা অনুপ্ৰৱেশক লৈ প্ৰশ্ন কৰিছে। কিন্তু হেমন্ত ছোৰেন চৰকাৰে সমগ্ৰ বিষয়টোক লৈ অনুপ্ৰৱেশকাৰীৰ ভোটৰ লালসাত ৰাজনীতি কৰি আছে। ৰাজ্যখনত অনুপ্ৰৱেশকাৰী চিনাক্তৰ ক্ষেত্ৰত বিজেপিয়ে ক্ষমতাত আহিলে কেনেদৰে ব্যৱস্থা ল'ব, সেই সন্দৰ্ভতো মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যখনৰ ভোটাৰ তালিকাত যিসকল লোকৰ নাম ২০২১ চনত বা

(দহ পৃষ্ঠাত চাওক)

## গুৱাহাটী বিশ্ববিদ্যালয়ত পুৰতি নিশা ভয়ংকৰ সংঘাত



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পাছতেই পুৰতি নিশা দুটাকৈ হোষ্টেলৰ শিক্ষাৰ্থীৰ মাজত সংঘটিত হয় মাৰপিটৰ ঘটনা। আৰ চি চি-১ আৰু আৰ চি চি-২ হোষ্টেলৰ শিক্ষাৰ্থীসকলৰ মাজত পুৰতি নিশা সংঘটিত হোৱা এই সংঘাতত কেইবাজনো শিক্ষাৰ্থী গুৰুতৰভাৱে আহত হৈছে। জানিব পৰা মতে শিক্ষাৰ্থীসকলৰ এটা পক্ষই আনটো পক্ষক শিল আৰু সুৰাৰ বটেলেৰে আক্ৰমণ কৰে। ইয়াৰ পিছতে বহু কেইজন ছাত্ৰ আহত হয়। তেওঁলোকক গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এই সন্দৰ্ভত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এক সূত্ৰই প্ৰকাশ কৰা মতে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ সময়ত কোনো অপ্ৰীতিকৰ ঘটনা ঘটা নাছিল যদিও পুৰতি নিশা প্ৰায় ৩ মান বজাত হঠাৎ আৰ চি চি-১ আৰু আৰ চি চি-২ ৰ ছাত্ৰাৱাসৰ ছাত্ৰসকলৰ মাজত আৰম্ভ হয় প্ৰচণ্ড সংঘাত। এই সংঘাতে ক্ৰমান্বয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে আৰু ইটো পক্ষই সিটো পক্ষক শিল আৰু সুৰাৰ বটলেৰে আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। নিৰ্বাচনত জয়-পৰাজয়কেন্দ্ৰিক

( দুই পৃষ্ঠাত চাওক)

## অহা ৪ অক্টোবৰৰ পৰা বিহালীয়ে পাব সমজিলাৰ মৰ্যাদাঃ পীযূষ হাজৰিকা

ৰঙিলী বাৰ্ত্তাসেৱা- এদিনীয়া কাৰ্যসূচীৰে মন্ত্ৰী তথা বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰভাৰী পীযূষ হাজৰিকা আৰু বিধায়ক দিগন্ত কলিতা বিহালীত উপস্থিত হৈ এক বিশেষ সাংগঠনিক সভাত অংশ গ্ৰহণ কৰে। সভাখনত বিজেপিৰ সাংগঠনিক দিশত বিশদভাৱে আলোচনা কৰাৰ লগতে বিজেপিৰ "সদস্যতা অভিযান-২০২৪"ৰ ওপৰত আলোকপাত কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই দলীয় সাংগঠনিক সভাত অংশগ্ৰহণ কৰাৰ পূৰ্বে এক সংবাদ মেলত অংশ গ্ৰহণ কৰে। সংবাদ মেলত মন্ত্ৰী পীযূষ হাজৰিকাই অসমৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প সম্পৰ্কে কৰ্ণাটক চৰকাৰৰ মন্ত্ৰী তথা কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰই কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰই অসমত ছেমি কণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰিবলৈ ওলোৱাৰ বাবে অসমক ইতিকিং কৰি টুইটাৰত মন্তব্য



কৰিছে। অসমত ছেমি কণ্ডাক্টৰ প্ৰকল্প স্থাপনৰ বাবে সুবিধা নাই আৰু অসমৰ পৰিৱৰ্তে কৰ্ণাটকতহে ছেমি কণ্ডাক্টৰ প্ৰকল্পটো স্থাপন কৰিব লাগিছিল বুলি মন্তব্য কৰিছে। কৰ্ণাটক এখন বিকশিত ৰাজ্য আৰু তাত বৰ্তমানেও বহুত উদ্যোগ আছে। উন্নয়ন কেৱল কৰ্ণাটকতেই হব লাগে নেকি অসম, বিহাৰ, উত্তৰ পূৰ্বাঞ্চলত উন্নয়ন হ'ব নালাগে নেকি বুলি মন্ত্ৰী পীযূষ হাজৰিকাই কংগ্ৰেছক প্ৰশ্ন কৰাৰ লগতে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুৰ্ণ খাৰ্গেৰ পুত্ৰক ক্ষমা খুজিবলৈ দাবী জনায়। মন্ত্ৰী পীযূষ হাজৰিকাই ছেমি কণ্ডাক্টৰ প্ৰজেক্ট বিতৰ্ক সন্দৰ্ভত কংগ্ৰেছ সভাপতি ভূপেন বৰা, যোৰহাটৰ সাংসদ গৌৰৱ গগৈ, ধুবুৰীৰ সাংসদ ৰকিবুল হুচেইন আৰু নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায। অলপতে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে কংগ্ৰেছ দলৰ সদস্যভৰ্তি অভিযান চলোৱা হ'ব বুলি এক মন্তব্য কৰিছিল। সংবাদ মেলত মন্ত্ৰী পীযূষ হাজৰিকাই কংগ্ৰেছ

(দহ পৃষ্ঠাত চাওক)

# গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ইউনিফাইড পৰ্টেল আৰু জলসিঞ্চন বিভাগৰ ইনো এপ্লিকেশ্যনক অত্যাধুনিক মানলৈ উন্নীতকৰণৰ নিৰ্দেশ মন্ত্ৰী সিংহলৰ

ৰঙিলী বাৰ্ত্তাসেৱা- গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে তেওঁৰ জনতা ভৱনস্থিত নিজ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এলানি বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিভিন্ন শাখা যেনে গুৱাহাটী জল ব'ৰ্ড, প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়া) আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ইউনিফাইড পৰ্টেলৰ লগতে জলসিঞ্চন বিভাগৰ বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। গুৱাহাটী জল ব'ৰ্ডৰ সৈতে হোৱা আলোচনাত মন্ত্ৰী সিংহলে জাইকা সাহায্যপ্ৰাপ্ত বৃহত্তৰ গুৱাহাটী পানী যোগান আঁচনিৰ গৃহ সংযোগ, সুৰক্ষা পৰীক্ষণ আদি কাম-কাজৰ শেহতীয়া স্থিতিৰ বুজ লয়। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়া)ৰ বিষয়ববীয়া সকলৰ সৈতে হোৱা আলোচনাত ভাৰত চৰকাৰৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়া)২.০ৰ নীতি-নিৰ্দেশাৱলীৰ ওপৰত আলোকপাত কৰা হয়। মন্ত্ৰী সিংহলে জলসিঞ্চন বিভাগৰ সৈতেও এক সুকীয়া বৈঠকত মিলিত হৈ বিভাগটোৰ বিভিন্ন



কাম-কাজৰ পৰ্যালোচনা কৰে।ডিজিটেল ৰূপান্তৰৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰী সিংহলে বিষয়াসকলক গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ইউনিফাইড পৰ্টেল আৰু জলসিঞ্চন বিভাগৰ ইনো এপ্লিকেচনক অত্যাধুনিক মানলৈ উন্নীত কৰিবলৈ নিৰ্দেশ দিয়ে। এই পদক্ষেপে দুয়োটা বিভাগৰ কাম-কাজ সুশৃংখলিত কৰাৰ লগতে সৰ্বসাধাৰণ ৰাইজে ঘৰতে বহি বিভাগীয় চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰিব। উক্ত পৰ্যালোচনা বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত- সচিব কবিতা পদ্মনাভন; জলসিঞ্চন বিভাগৰ আয়ুক্ত- সচিব বীৰেন্দ্ৰ মিট্টাল; দুয়োটা বিভাগৰে সচিবৰ দায়িত্বত থকা পৱিত্ৰ ৰাম খাউণ্ডৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি পদত এবিভিপিৰ মানস প্ৰতীম কলিতাৰ জয়



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী মানস প্ৰতীম কলিতাৰ, সাহিত্য সম্পাদকৰ পদত প্ৰাণজিৎ কোচ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত বিনোদ বড়ো জয়ী হয়। বিগত সময়ত স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নামলৈ কেইগৰাকীমান নিদিষ্ট ছাত্ৰই বাৰম্বাৰ এবিভিপিক আক্ৰমণ কৰাৰ বিপৰীতে আজি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে বিদ্যাৰ্থী পৰিষদৰ এগৰাকী সমৰ্থিত প্ৰাৰ্থীক সভাপতি পদত জয়ী কৰি এই ঘটনাৰো উচিত বাৰ্তা প্ৰদান কৰিলে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক হেৰেল্ড মহনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰ সমাজক ধন্যবাদ জনাই এই জয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰ সমাজৰ জয় বুলি উল্লেখ কৰে। তেওঁ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ত কেইগৰাকীমান নিদিষ্ট ব্যক্তিৰ নেতৃত্বত যি দৰে লাচিত বৰফুকন আৰু মা কামাখ্যাৰ ফটো জ্বলাই দিয়া হৈছিল তাৰো বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে উচিত প্ৰত্যোত্তৰ দিলে বুলি তেওঁ উল্লেখ কৰে।

# আপৰ ৰাজ্যিক কাৰ্যালয়ত শ্বহীদ ভগৎ সিঙৰ জন্মদিন পালন




ৰঙিলী বাৰ্ত্তাসেৱা- আম আদমী পাৰ্টিৰ ছাত্ৰ সংগঠন চি ৱাই এছ এছৰ ১১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীস্থিত আম আদমী পাৰ্টিৰ ৰাজ্যিক কাৰ্যালয়ত পালন কৰা হয় শ্বহীদ ভগৎ সিঙৰ ১১৭ সংখ্যক জন্মদিন ।কাৰ্যসূচীত আপৰ নেতা - কৰ্মী সকলে পৰাধীন ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদী চৰকাৰৰ বিৰুদ্ধে আপোচবিহীন সংগ্ৰামৰ নেতৃত্ব দি প্ৰাণাহুতি দিয়া শ্বহীদ ভগৎ সিঙৰ প্ৰতিকৃতিত পুষ্প অৰ্ঘ নিবেদন কৰে। শ্ৰদ্ধাঞ্জলি অৰ্পণৰ পিছত তেওঁৰ আত্ম বলিদান সন্দৰ্ভত ভাষণ দিয়ে আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ, মুখপাত্ৰ পুনম গগৈ আৰু দিব্যজ্যোতি কুলীয়ে। শ্বহীদ ভগৎ সিঙৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সকলোকে নিস্বাৰ্থ ভাৱে দেশৰ আৰু সমাজৰ সেৱা আগবঢ়াবলৈ আহ্বান জনায়। কাৰ্যসূচীত আপৰ ছাত্ৰ সংগঠন চি ৱাই এছ এছৰ নেতা ধনবীৰ শৰ্মায়ো ভাষণ দিয়ে।

# দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাত বিশ্ব পৰ্যটন দিৱস উদযাপন

ৰঙিলী বাৰ্ত্তাসেৱা- পৰ্যটন আৰু শান্তিৰ মাজত বহু সম্পৰ্ক আছে। পৰ্যটন হৈছে শান্তিৰ এক ব্যৱস্থা। য'ত শান্তি নাই তাত পৰ্যটন ব্যৱস্থা নাই। এই মন্তব্য ইষ্টাৰ্ণ আইকোনিক ট্ৰাৱচ এণ্ড ট্ৰেভেলচ গুৱাহাটীৰ সঞ্চালক উদিত ভানু বৰঠাকুৰৰ। বিশ্ব পৰ্যটন দিৱস উপলক্ষে দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাত এই মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ উদ্যোগত উদযাপন কৰা বিশ্ব পৰ্যটন দিৱসত উদিত ভানু বৰঠাকুৰে মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি লগতে কয়



বুৰঞ্জী আৰু পৰ্যটন এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। পৰ্যটন পানীৰ দৰে। সাহিত্য, সংস্কৃতি, শিক্ষা, ভাষা, ভাৱৰ আদান প্ৰদান, অৰ্থনীতি ব্যৱসায় আদি জীৱনৰ প্ৰক্ৰিয়াক আদৰি লয়। এখন ঠাইৰ থলুৱা খাদ্য, আচাৰ ব্যৱহাৰ পৰ্যটনৰ এটি অংশ। অৰ্থনৈতিক উন্নয়ন হোৱা মানেই পৰ্যটন। শান্তি

(দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী বিশ্ববিদ্যালয়ত

এনে ভয়ংকৰ কাজিয়াৰ পৰিণতিত ৭জনৰো অধিক ছাত্ৰ আহত হয় আৰু আহতসকলক গুৱাহাটী মেডিকেল কলেজত ভৰ্তি কৰোৱা হয়। আহতসকলৰ ভিতৰত বিক্ৰম হাজৰিকা নামৰ ছাত্ৰজনৰ অৱস্থা গুৰুতৰ। অৱশ্যে সঠিক তদন্তৰ পাছতহে সমগ্ৰ বিষয়টো স্পষ্ট হ'ব। উল্লেখ্য যে, শুকুৰবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ফলাফলত সভাপতি পদত জয়ী হয় এ বি ভি পিৰ মানস প্ৰতিম কলিতা, সাধাৰণ সম্পাদক পদত জয়ী হয় কৌশিক বৰুৱা। কৌশিক অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী। আনহাতে, উপ-সভাপতি, সহকাৰী সাধাৰণ সম্পাদকসহ ৬টা পদত জয়লাভ কৰিছে আছু সমৰ্থিত প্ৰাৰ্থীয়ে। উপ-সভাপতি পদত জয়ী হয় উদীপ্ত বায়ন, সহকাৰী সাধাৰণ সম্পাদক পদত জয়ী হয় নিমিশা শইকীয়া, সাহিত্য সম্পাদকত জয়ী হয় প্ৰাণজিৎ কোচ আৰু সাংস্কৃতিক সম্পাদক পদত জয়ী হয় বন্দিতা ডেকা।

# বহু প্ৰত্যাশিত অসমীয়া ৱেব ছিৰিজ 'স্কেম ২০১৯'ৰ অফিচিয়েল পোষ্টাৰ মুকলি




ৰঙিলী বাৰ্তাসেৱা- মুকলি কৰা হয় চলিত বৰ্ষৰ শেষৰফালে মুক্তি পাবলগীয়া বহু প্ৰত্যাশিত অসমীয়া ৱেব ছিৰিজ 'স্কেম ২০১৯'ৰ অফিচিয়েল পোষ্টাৰ। উল্লেখ্য যে, এই কাল্পনিক ৱেব ছিৰিজখন এজন উদ্ভণ্ড আৰু দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়াৰ ওপৰত নিৰ্মাণ কৰা হৈছে। ছিৰিজখনৰ সেই বিষয়াজনক এখন সমাজৰ পৰিচয় আৰু সংস্কৃতি ৰক্ষাৰ বাবে নিযুক্ত কৰা হয়, কিন্তু ইয়াৰ পৰিবৰ্তে তেওঁ এটা দশকৰ সৰ্ববৃহৎ কেলেংকাৰীৰ সৈতে জড়িত হৈ পৰে। পৰিণামস্বৰূপে সেই বিষয়াজন কেৱল বিত্তীয় লোকচানৰ কাৰণ হোৱাই নহয়, বৰং শাৰীৰিক, মানসিক আৰু আনকি ৰাজ্যখনৰ পৰিচয়ৰ বাবেও এক ভয়াবহ সংকট হৈ পৰে। গুৱাহাটীত অনুষ্ঠিত ৱেব ছিৰিজখনৰ পোষ্টাৰ মুকলি অনুষ্ঠানত ৱেব ছিৰিজখনৰ প্ৰযোজক আভিজিত শৰ্মাই কয়, "আমাৰ আহিবলগীয়া ৱেব ছিৰিজ 'স্কেম ২০১৯'ৰ পোষ্টাৰ মুকলি কৰি অতিশয় আনন্দিত অনুভৱ কৰিছোঁ। দীপাৱলীৰ সময়ত আমি ৱেব ছিৰিজখনৰ অফিচিয়েল ট্ৰেইলাৰ মুকলি কৰিম। বছৰৰ শেষৰফালে এই ৱেব ছিৰিজখন ৰেড চিনেমাছ ১৮+ নামৰ অ'টিটি প্লেটফৰ্মত মুক্তি দিয়া হ'ব।" ৰেড চিনেমাছ হৈছে ৰাজ্যখনৰ প্ৰথম ১৮+অসমীয়া অটিটি প্লেটফৰ্ম। এই অ'টিটি প্লেটফৰ্মত ৱেব ছিৰিজখন অসমৰ লগতে বাংলাদেশ আৰু মধ্যপ্ৰাচ্যৰ দৰ্শকক লক্ষ্য কৰি একাধিক ভাষাত দৃশ্য সংলাপৰ সৈতে মুক্তি দিয়া হ'ব। মন কৰিবলগীয়া যে, মাত্ৰ ৫০ টকাতে 'স্কেম ২০১৯' ৱেব ছিৰিজখন দৰ্শকৰ বাবে উপলব্ধ হব। প্ৰণিধানযোগ্য যে, এইবহু প্ৰত্যাশিত ৱেব ছিৰিজখনত অভিনয় কৰিছে অসমীয়া ছবি আৰু ভ্ৰাম্যমান জগতৰ জনপ্ৰিয় অভিনেতা যতীন বৰাৰ লগতে বিভূতি ভূষণ হাজৰিকা, মৈত্ৰেয়ী গোস্বামী, মাণিক ৰয়, ভৱেশ দাস, য়াংকি পৰাশৰ, অৰ্চনা পূজাৰী, হিমাক্ষী বৰা আৰু আন কেৰ দৰে নবীন-প্ৰবীণ অভিনেতা-অভিনেত্ৰীয়ে। ৱেব ছিৰিজখনৰ পৰিচালনা কৰিছে আৰ কেয়ে। কাহিনী আৰু প্ৰযোজনা আভিজিৎ শৰ্মাৰ। আনহাতে চিত্ৰনাট্য আৰু সংলাপ ভাস্কৰ ডেকাৰ। ৱেব ছিৰিজখনৰ চিনেমেট'গ্ৰাফী বিতুল দাসৰ, সম্পাদনা কৰিছে ঝুলন কৃষ্ণ মহন্তই আৰু সংগীত দিছে বিদীপ দাসে।

# ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যপালক স্মাৰক পত্ৰ প্ৰদান




ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাই উজানবজাৰৰ ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্য্যালয়ৰ পৰা এখন বেনাৰ আৰু হাতে হাতে দলীয় পতাকা লৈ এক সমদল কৰি মহামান্য ৰাজ্যপালক এখন স্মাৰক পত্ৰ দিবলৈ বিচৰাত কাৰ্তব্যৰত আৰক্ষীয়ে প্ৰথম চেক পোষ্টত তেওঁলোকক বাধা প্ৰদান কৰে। ৰাজ্যপাল তাৰ পাছতে ৰাজ্যপালৰ সাক্ষাতৰ অনুমতি থকা ৮ জন লোকক ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়ে। এই সমদলত আছিল ক্ৰমে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, জনজাতি মৰ্চাৰ সভানেত্ৰী মুন স্বৰ্ণকাৰ, ৰাজ্যিক সম্পাদিকা কল্পনা দাস, উপ সভাপতি কুশল জ্যোতি মালাকৰ, ফিচাৰি ভাইছ কমিছনাৰ নবাৰুন মেধি, উপ সভাপতি সীমান্ত দাস, সাধাৰণ সম্পাদক ভৃগু দাস, উপ সভানেত্ৰী পৰমি দাস, উপ সভাপতি প্ৰকাশ দাস সহ প্ৰায় ১০০ জন মান সদস্যই অংশগ্ৰহণ কৰে। আৰু ৰাজ ভৱনত স্মাৰক পত্ৰ দিয়াৰ বাবে প্ৰৱেশ কৰিছিল ক্ৰমে বিজুলী কলিতা মেধি, মুন স্বৰ্ণকাৰ, কল্পনা দাস, পৰমী দাস, নাবাৰুন মেধি, সীমান্ত দাস, ভৃগু দাস আৰু প্ৰকাশ দাস। উল্লেখ থাকে যে অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা জাতি, জনগোষ্ঠী সন্দৰ্ভত কংগ্ৰেছৰ ৰাহুল গান্ধীয়ে বহু উদ্ভত আৰু কটু মন্তব্য কৰিছিল। যাৰ বাবে অনুসূচিত জাতি মৰ্চাই দিছপুৰ থানাৰ এটা গোচৰ ৰুজু কৰাৰ পিছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাজ্যপালক এখন স্মাৰক পত্ৰ প্ৰদান কৰে।

# চাহ বাগিচাৰ শ্ৰমিকক ২০ শতাংশ বোনাছ আদায় দিবলৈ দাবী আপৰ




ৰঙিলী বাৰ্তাসেৱা- শাৰদীয় দুৰ্গোৎসৱৰ পূৰ্বে ৰাজ্যৰ চাহ বাগিচা সমূহত কৰ্মৰত শ্ৰমিক সকলক ২০ শতাংশ বোনাছ আদায় দিবলৈ দাবী জনাইছে আম আদমী পাৰ্টিয়ে। এক প্ৰেছ বিজ্ঞপ্তি যোগে আপৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যিক ৱৰ্কিং কমিটীৰ সদস্য ৰাজীৱ শইকীয়াই চাহ শ্ৰমিকৰ বোনাছ সন্দৰ্ভত কয়, "চাহ শ্ৰমিক সকলৰ ২০ শতাংশ বোনাছৰ তেওঁলোকৰ প্ৰাপ্য। বাগিচা সমূহৰ মালিক পক্ষই এই দাবী মানি লোৱা উচিত। ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন জিলাৰ বাগিচা শ্ৰমিক সকলে ২০ শতাংশ বোনাছ বিচাৰি (দহ পৃষ্ঠাত চাওক)

# ১৪ অক্টোবৰত ডিব্ৰুগড়ৰ জেৰাইত অগপৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস




ৰঙিলী বাৰ্তাসেৱা- অসমৰ আঞ্চলিকতাবাদৰ ধ্বজাবাহক অসম গণ পৰিষদে ১৪ অক্টোবৰত ৪০সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিব। ডিব্ৰুগড় জিলাৰ জেৰাইত কেন্দ্ৰীয়ভাৱে অনুষ্ঠানটি অনুষ্ঠিত হোৱাৰ লগতে প্ৰতিটো বিধানসভা সমষ্টিত প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হ'ব। গুৱাহাটীৰ আমবাৰীস্থিত দলৰ মুখ্য কাৰ্যালয়ত অগপৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত অংশগ্ৰহণ কৰি অগপৰ সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰাই আগন্তুক প্ৰতিষ্ঠা দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়ে সভাত বিতংভাৱে আলোচনা কৰে। লগতে দলে আয়োজন (চাৰিপৃষ্ঠাত চাওক)

# তথ্যচিত্ৰ 'পঞ্চকৰ্ম'ৰ শুভ প্ৰদৰ্শনী




ৰঙিলী বাৰ্তাসেৱা- বিশিষ্ট আয়ুৰ্বেদিক চিকিৎসক ডাঃ শচীন্দ্ৰ বৰ্মনৰ চিকিৎসা সেৱাৰ সফলময় কৰ্মৰাজিৰ আলমত নিৰ্মিত গঠনমূলক তথ্যচিত্ৰ 'পঞ্চকৰ্ম' (Nactar of life)-ৰ ২৫ ছেপ্টেম্বৰত আনুষ্ঠানিকভাৱে শুভ প্ৰদৰ্শনী অনুষ্ঠান সমাপন হয় গুৱাহাটী প্ৰেছ ক্লাবত। জনপ্ৰিয় ফটোগ্ৰাফাৰ পল্লৱ মহন্তৰ পৰিকল্পনা আৰু পৰিচালনাৰে নিৰ্মিত তথ্যচিত্ৰখনিৰ প্ৰদৰ্শনী অনুষ্ঠানত অসমৰ চিকিৎসা সেৱাৰ লগত জড়িত কেইবাগৰাকীও (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত আগন্তুক শাৰদীয় দুৰ্গোৎসৱ উদযাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত সভা

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁইৰ সভাপতিত্বত ২৩ তাৰিখে জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত আগন্তুক ২০২৪ বৰ্ষৰ দুৰ্গা পূজা উদযাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত জিলাখনৰ সকলো দুৰ্গা পূজা কমিটিৰ বিষয়ববীয়াৰ সৈতে এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদযাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যানবাহন নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, প্ৰতিমা বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। প্ৰতিটো বৰ্ষৰ দৰে এই বছৰো দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। সেই অনুসৰি পূজা কমিটি সমূহে জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ প্ৰয়োজনীয় অনুমতি লোৱাৰ লগতে সংশ্লিষ্ট বিভাগ সমূহৰ পৰাও আপত্তি বিহীন প্ৰমাণ পত্ৰ (NOC) সমূহ সংগ্ৰহ কৰিব লাগিব। পূজা কমিটি সমূহক ৩ অক্টোবৰৰ ভিতৰত অনুমতিৰ বাবে আবেদন জনাবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। প্ৰতিটো পূজা মণ্ডপত চি চি টিভি লগোৱাটো বাধ্যতামূলক কৰা হৈছে। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপ সমূহত মজুত ৰখাৰ লগতে পূজা মণ্ডপত ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰো সুব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপসমূহত পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থানৰ পৃথক পৃথক ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু পৰ্যাপ্ত ডাষ্টবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ নিৰ্মাণৰ সময়ত ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতি কৰিব নোৱাৰিব । পূজা মণ্ডপৰ চাৰিওফালে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। দেৱীৰ প্ৰতিমাসমূহ প্ৰকৃতিৰ অনুকূল সামগ্ৰীৰে নিৰ্মিত হব লাগিব। পূজা মণ্ডপত উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰৰ ব্যৱহাৰ কৰিব নোৱাৰিব । পূজা কমিটি সমূহে পৰ্য্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব আৰু স্বেচ্ছাসেৱক সকলৰ নাম নিকটৱৰ্তী আৰক্ষী থানাত আগতীয়াকৈ জমা দিব লাগিব। পূজা কমিটি সমূহে নিশা পূজা মণ্ডপত সুৰক্ষাৰ যাৱতীয় ব্যৱস্থা



কৰাৰ লগতে পূজা মণ্ডপৰ ওচৰে পাজৰে যাতে মাদক দ্ৰব্য বিক্ৰী তথা ব্যৱহাৰ নহয় তাৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। জৰুৰীকালীন ফোন নম্বৰ, জিলা প্ৰশাসনৰ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ (০৩৭৩-২৩১২৯৪০/ ৯৪৩৫৩৫৮৩৭১) ৰাইজৰ সুবিধাৰ্থে পূজা মণ্ডপত সকলোৱে দেখাকৈ প্ৰদৰ্শিত কৰি ৰাখিব লাগিব। বিসৰ্জনৰ সময়ত কোনোধৰণৰ ডি.জেৰ ব্যৱহাৰ কৰিব নোৱাৰিব। চক্ৰ বিষয়াসকলে নিজ নিজ ৰাজহচক্ৰৰ এলেকাসমূহত আইন-শৃংখলা বৰ্তাই ৰাখিবলৈ চোকা নজৰ ৰাখিব লাগিব। অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁইয়ে জিলাখনত শান্তি -শৃংখলা বজাই ৰাখি আগন্তুক দুৰ্গা পূজা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত সকলোৰে সহায় - সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। এই বৈঠকত অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া, ডিব্ৰুগড় জিলাৰ আটাইকেইটা ৰাজহচক্ৰৰ চক্ৰ বিষয়াসকল, আৰক্ষীৰ যান-বাহন শাখা, অগ্নিনিৰ্বাপক বাহিনী, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ, লোকনিৰ্মান (পথ) আৰু লোকনিৰ্মাণ (গৃহ) বিভাগ, জনস্বাস্থ্য-কাৰিকৰী বিভাগ, আৱকাৰী, প্ৰদূষণ নিয়ন্ত্ৰণ, দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ তথা পৌৰসভাৰ লগতে পৰিবহন বিভাগৰ মুৰব্বী বিষয়াসকল আৰু পূজা কমিটিসমূহৰ সভাপতি, সম্পাদক আৰু সদস্য সকল উপস্থিত থাকে।

# গুৱাহাটীৰ বিবেকানন্দ কলাকেন্দ্ৰত সীতাৰাম য়েচুৰীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- চি পি আই (এম)ৰ কেন্দ্ৰীয় কমিটীৰ সদস্য ইচফাকুৰ ৰহমানৰ সভাপতিত্বত বিবেকানন্দ কলাকেন্দ্ৰত অনুষ্ঠিত হয়শ্ৰদ্ধাঞ্জলি সভা। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰথমেই শোক প্ৰস্তাৱ উত্থাপন কৰে চি পি আই (এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে। সভাত পাৰ্টিৰ জ্যেষ্ঠ নেতা হেমেন দাস, প্ৰাক্তন সাংসদ উদ্ধব বৰ্মন, ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা, প্ৰাক্তন বিধায়ক তথা চি পি আই দলৰ জ্যেষ্ঠ নেতা মুনীন মহন্ত, কংগ্ৰেছ দলৰ গুণ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ, চি পি আই (এম-এল) দলৰ পংকজ কুমাৰ দাস আৰু ৰাইজৰ দলৰ ৰাছেল হুছেইনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে কমৰেড য়েচুৰীৰ কৰ্মৰাজী সম্পৰ্কত বক্তব্য ৰাখে।

# স্কুটীসহ নলাত পৰি কৰুণ মৃত্যু ভাস্বতীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নলবাৰীৰ টিহুত সংঘটিত হয় এক শোকাবহ পথ দুৰ্ঘটনা। এই শোকাবহ দুৰ্ঘটনাত টিহুৰ শংকৰদেৱ শিশু নিকেতনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী ভাস্বতী কলিতাই এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱায়। টিহুৰ ৰণাকুছি হেলচাপাৰাৰ গাঁওবুঢ়া বাপন কলিতাৰ কন্যা ভাস্বতীয়ে পুৱা টিউচনৰ পৰা ওভতাৰ সময়ত এই দুৰ্ঘটনাত পতিত হয়। AS-14-N-1102 নম্বৰৰ নিজৰ স্কুটীখনৰ নিয়ন্ত্ৰণ হেৰুৱাই ছাত্ৰীগৰাকীয়ে প্ৰথমে কাষৰ দেৱালত প্ৰচণ্ডজোৰে খুন্দা মাৰি নলাত সোমাই পৰে। পুৱাৰ ভাগতে এই প্ৰচণ্ড শব্দ শুনি ৱাৰ্ডটোৰ আবাসীসকলে ঘৰৰ পৰা ওলাই আহি এই কৰুণ ঘটনা প্ৰত্যক্ষ কৰে। পিছত তেওঁক নলাৰ পৰা উদ্ধাৰ কৰি স্থানীয় ৰাইজে ঘটনাস্থলীৰ পৰা নাতিদূৰত থকা টিহু এফ আৰ ইউলৈ ততাতৈয়াকৈ লৈ যায় আৰু ছাত্ৰীগৰাকীৰ আঘাত গুৰুতৰ হোৱাত অতি সংকটজনক অৱস্থাত তেওঁক উন্নত চিকিৎসাৰ বাবে নলবাৰীলৈ প্ৰেৰণ কৰা হয়। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত নলবাৰীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ছাত্ৰীগৰাকীৰ কৰুণ মৃত্যু ঘটে।

# যোৰহাটত প্ৰচণ্ড গৰমৰ বাবে দুজন লোকৰ কৰুণ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- সোমবাৰে যোৰহাটত সংঘটিত হয় এক কৰুণ ঘটনা। বিগত বৰ্ষসমূহৰ অভিলেখ ভংগ কৰি হোৱা প্ৰচণ্ড গৰমে প্ৰাণ ল'লে দুজন ব্যক্তিৰ। ব্যক্তি দুজনে প্ৰচণ্ড গৰমত যোৰহাট নগৰৰ পদপথত কৰুণ মৃত্যুক সাবটি লয়। নগৰখনৰ মাজমজিয়াত থকা কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান প্ৰিন্স অব ৱেলছৰ সন্মুখত এজন আৰু জি কে পেলেচ হোটেলৰ তলৰ পদপথত আন এজন লোকৰ হিটষ্ট্ৰ'কত মৃত্যু হয় । ইয়াৰে ভিতৰত এজন লোকক অঘৰী বুলি জানিব পৰা গৈছে । তেওঁ যোৰহাট নগৰতে খুজি-মাগি জীৱন নিৰ্বাহ কৰি আছিল । আনহাতে, আনজন লোক মুৰমুৰীয়া চাহ বাগিচা অঞ্চলৰ বুলি জানিব পৰা গৈছে । ইতিমধ্যে দুয়োজন ব্যক্তিৰ মৃতদেহ আৰক্ষীয়ে যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে । আৰক্ষীয়ে দুয়োজনৰ মৃতদেহ মেডিকেল কলেজলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যায়। মৃত্যু হোৱা লোক দুজনৰ নাম উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। উল্লেখ্য যে বিগত প্ৰায় এসপ্তাহ ধৰি হোৱা আস্বাভাৱিক গ্ৰীষ্মপ্ৰবাহৰ ফলত যোৰহাটৰ ৰাজপথ দিনৰ ভাগত শূন্য হৈ পৰে।

# ১৪ অক্টোবৰত ডিব্ৰুগড়ৰ

কৰিবলগীয়া বিধানসভা সমষ্টি ভিত্তিত কৰ্মশালা, ব্যাপক সদস্যভৰ্তি-সদস্য নৱীকৰণ অভিযান, আঞ্চলিক দলৰ সন্মিলন, আগন্তুক অসম বিধানসভাৰ উপ-নিৰ্বাচন, পঞ্চায়ত, মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনকে ধৰি অন্যান্য স্বায়িত্তশাসিত পৰিষদৰ নিৰ্বাচন আৰু দলীয় সাংগঠনিক দিশৰ বিভিন্ন বিষয়তো আলোচনা কৰা হয়। সভাত অগপৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰপ্ৰসাদ বৈশ্যৰ লগতে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিসকল, সাধাৰণ সম্পাদকসকল, কেন্দ্ৰীয় সমিতিৰ সদস্য-সদস্যা, জিলা সভাপতিসকল, ভাতৃ-ভগ্নী সংগঠনসমূহৰ সভাপতি তথা অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

ধাৰাবাহিক গল্প

# এজন পাগল

শৈলেন কুমাৰ,মিৰ্জা



খণ্ড ২

অবিনাশৰ ফোন বাজিছে, ফোনত হোৱা কথাবতৰাৰ পাছত অবিনাশ মাটিত ঢলি পৰিছে। যেন মুৰৰ ওপৰত পাহাৰ ভাঙি পৰিছে, ভৰিৰ তলৰপৰা মাটি নহোৱা হৈছে । সি কোনোমতে নিজকে স্থিৰ কৰি চিকিৎসালয়লৈ দৌৰ মাৰিছে। ভায়েকক নেদেখালৈ লভিতাৰ প্ৰাণ দেহত্যাগ কৰা নাছিল। অবিনাশক সমষ্ট ঘটনা বিৱৰি কৈ তাই গুচি গ'লে ।সিদিনাখন দুখন চিতা জ্বলিল যদিও মৃত্যু হ'ল চাৰিজনৰ। দুৰ্ভগীয়া মাতৃ আৰু অবিনাশ ইজনেসিজনৰ সমল হৈ সংকল্প ল'লে, এতিয়া কেৱল প্ৰতিশোধৰ অগ্নি জ্বলিব হত্যাকাৰী, ধৰ্ষণকাৰী, সমাজবিৰোধী দানৱবোৰক আৰু এই জগতখন কলুষিত কৰিব দিয়া নহব, সিহঁতৰ উচিত বিচাৰ হব লাগিব। ঘটনাৰ আঁতিগুৰি জানিবলৈ নিজাববীয়াকৈ অবিনাশে দেউতাকৰ অফিচত অনুসন্ধান কৰিবলৈ ধৰিলে। কিন্তু কোনো ফালৰ পৰা অবিনাশে সঁহাৰি পোৱা নাছিল। পুলিচ প্ৰশাসন কিম্বা দেউতাকৰ কৰ্মজীৱনৰ সহপাঠী আজি সকলো নিমাত, কাৰণ এয়া হাই প্ৰফাইল মাৰ্ডাৰ কেছ। এই কেছটো যদি নিষ্পত্তি কৰিব লগা হয় তেন্তে বহু বিয়াগোম বিশিষ্ট সমাজকৰ্মী, ঠিকাদাৰ নেতামন্ত্ৰীৰ মুখা খোল খাব। দিন বাগৰিছে কিন্তু অবিনাশে কোনো সু-সুত্ৰ পাবলৈ সক্ষম হোৱা নাই, সি নিজকে অসহায় অনুভৱ কৰিবলৈ ধৰিছে। শূন্যত গদা ঘুৰাই সি ভাগৰি পৰিছে । আৰু কিমানদিন ভোকপিয়াহ, অনাহাৰে এনেকৈ আৰু দিন কটাব ? দুৰ্ভগীয়া মাতৃক কোনে চাব? অবিনাশৰ প্ৰেয়সী বন্দীতাৰ কি হ'ব ইত্যাদি কথাই অবিনাশৰ মুৰত ঘৰ কৰিবলৈ ল'লে। দুৰ্ঘটনাৰ দিন ধৰি বন্দীতাৰ কোনো খা-খবৰ ল'ব পৰা নাই। তাই কেনে আছে ভালে আছেনে বাৰু? বন্দীতাৰ লগত অবিনাশৰ চিনাকি হব দুবছৰ মান হৈছে । সকলো যদি ঠিকে থাকে এইবছৰতে অবিনশে বন্দীতাক বিবাহৰ বাবে প্ৰস্তাৱ দিয়াৰ কথা আছিল। কিন্তু এয়া কি? হঠাৎ অবিনাশে যেতিয়া মগজুত জোৰ দি ভাবিবলৈ আৰম্ভ কৰিলে, তেতিয়া অবিনাশ অবাক হৈ পৰিল কাৰণ ভনীয়েক লভিতাই মৃত্যুৰ পূৰ্বে যিটো চিহ্নৰ ফালে ইংগিত কৰিছিল সেয়া বন্দীতাৰ হাতত অংকিত আছে। এয়া কিহৰ ৰহস্য, অভিসন্ধি কি হৈছে এইবোৰ মই পগলা হ'লো নেকি? নিজৰ প্ৰাণতকৈয়ো ভাল পোৱা প্ৰেয়সীক সন্দেহ কৰোঁ কেনেকৈ ?

**আগলৈ...**

# মাক আৰু সন্তান

**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**



ঃকেতিয়াবা সন্তানৰ কাৰণে কিছুমান সিদ্ধান্ত লওতে পলম হয় কিন্তু শেষত সঠিক সিদ্ধান্তই উঠি অহা কণ কণ শিশুৰ ভৱিষ্যত সুৰক্ষিত কৰে তেনে এক কাহিনী।

বিষাদৰ বৰষুণ জাকে আজিও বৰকে কঁপালে। চৌপাশ সেমেকি আছে তথাপিও তাই জুহালৰ ফালে খোজ আগবঢ়াবলৈ বিছনাৰ পৰা উঠি আহিল কিন্তু দেহাটো জঠৰ হৈ একেঠাইতে ৰৈ গ'ল। অকণমান শক্তি নাই নোৱাৰে তাই উঠিব তথাপিও সন্তানৰ কাৰণে যেন মনৰ শক্তিৰ লগত যুঁজ কৰিছে। গোহালিত গৰু কেইটাক দানা পানী দি থৈ আহিল। সন্ধিয়া হৈছে গাটো তিয়াই গোসাঁই থাপনাত চাকি গছি জ্বলাই দিলে। মুখেৰে হৰিপদ এফাকি গালে..

কিমতে ভকতি কৰিব তোমাক হৰি হে
মই মূঢ়মতি নাজানোঁ তাৰ উপায়।

ঃমা, ভাত আছে নে?

ঃনাইঅ সোণ, অকণমান অপেক্ষা কৰ মই বনাম পাচলি খিনি কাটি লওঁ।

ঃ আজিও তাই চাৰিওফালে চকু ফুৰাই চালে, মদৰ বটলটো ইকাতি হৈ পৰি আছে । সি নাই কৰবাত ওলাই গৈছে তাই আৰু একো ভাবিব পৰা নাই পিঠিত বিষ থাকিলেও তাই আজি অকণমান শান্তি পাইছে। তাঁত শালৰ কাপোৰ বেছি পোৱা টকা খিনি তাই ৰক্ষা কৰিব পাৰিলে । চৰুত ভাত মুঠি বহাই দি হেতা খনৰে লৰাই থাকোঁতে আঙুলিতো পুৰিলে। চাদৰৰ আচলেৰে চুৰুপানী খিনি মচি ল'ৰাটোক ভাত খাব মাতিলে। সোণ আহ ভাত দিছোঁ-

ঃঅ গৈছোঁ মা।

ঃ সোণ, এটা কথা ভাবিছোঁ তোক কোৱা নাই অহাকালি আমি এইখন ঘৰ এৰি গুচি যাম। মোৰ পিতাই দিয়া পথাৰৰ আলিৰ কাষৰ ঠাইত এটা খেৰিঘৰ আছে তাতে থাকিম । তইতো জান-! মদাহী দেউতাৰৰ মহাভাৰত তোৰ সদায়ে পঢ়াত অসুবিধা তাতকৈ আমি দুয়ো অকলে মোমায়েৰ হঁতৰ গাঁওৰ খেৰিঘৰত শান্তিৰ থাকিব পাৰিম তয়ো ভালদৰে পঢ়িব পাৰিবি।

ঃ হ'ব দে মা, মই সদায় তোমাৰ লগতে থাকিম । তোমাৰ সিদ্ধান্তত ময়ো একমত। কাৰণ এনেকৈ থাকিলে তুমি এদিন শেষ হৈ যাবা! তোমাক মই হেৰুৱাব নোৱাৰোঁ । তাৰ চকুজুৰি চলচলিয়া হ'ল, মাকক জোৰকৈ সাবটি ধৰিলে।

ঃতাইৰ মনতো ফৰকাল লাগিল। এই সিদ্ধান্ত কেতিয়াবাই ল'ব লাগিছিল, পিঠিখন ক'লা নপৰিলে হেতেন কিন্তু মা-পিতাই বিয়া দিওঁতে কোৱা কথাষাৰৰ কাৰণে--"মাইতো আজিৰ পৰা সেইখন ঘৰ নিজৰ বুলি ভাবিবি স্বামীক ভগৱানৰ দৰে অন্তৰত স্থান দিবি"। সেয়াই তাইৰ ডাঙৰ ভুল হ'ল । যি নহওক ৰাতিপুৱালে গাঁওবুঢ়া ৰাইজক মাতি সকলো কথা জনাই গুছি যাব । পিছত যাতে কোনেও তাইক দোষ দিব নোৱাৰে। এতিয়া তাইৰ শাহুৱেকলৈ মনত পৰিল ইমান সাদৰি মহিলা আছিল। তেখেত থকা হ'লে তাইৰ এই অৱস্থা নহ'লহেতেন। চুইছ টিপা মোবাইলতো হাতত লৈ ককায়েকক ফোন কৰিলে। তাইৰ কথাবোৰ শুনি সিহঁতেও আহিবলৈ ক'লে কিন্তু এটা কথা স্পষ্ট কৰি দিলে ককায়েকে তাই নিজৰ জন্মগত ঘৰখনত থাকিব লাগিব, অকলে পোনাতিক লৈ খেৰিঘৰত থাকিব নালাগে। ককায়েকৰ কথা শুনি তাইৰ মনতো প্ৰশান্তিৰে ভৰি পৰিল, ইশ্বৰক ধন্যবাদ দিলে তাইৰ কাৰণে এখন দুৱাৰ বন্ধ হ'লেও

*( ছয় পৃষ্ঠাত চাওক)*

# নৱতম প্ৰভাতৰ আলোক যাত্ৰী



**ময়ূৰী বৰগোহাঁই,নৱম শ্ৰেণী**

প্ৰভাতী সূৰুযৰ আলোক যাত্ৰী
জ্বলায় নৱ নৱ ৰূপ-ৰস-গন্ধ-বৰ্ণ বন্তি।
বিয়পায় জগতত অচিৰদ্যুতি।
স্বাগত, নৱাগত অভিনৱ জ্যোতি
আমি নৱতম প্ৰভাতৰ আলোক যাত্ৰী।
আলোক সুৰভী প্ৰতিভাৰ নৱনৱোন্মেষী
আমি হলো অভিনৱ সৃষ্টিকামী।
মেদিনীৰ বুকুৰ বৰষি অগ্নি
আমি হলো নৱ-নৱ প্ৰভাতী।
বিশ্বৰ ছন্দে ছন্দে উদয় আৰু অস্তৰ
বৰ্ণ-বৈচিত্ৰ্যৰ ছয়াময়া কাচোনেৰে
বাখৰখটোৱা সোণালী হেংদাঙেৰে
সমস্বৰে গাওঁ আজি মোৰ
নিৰুপমা জননীৰ জয়গান।
ভেদাভেদ আতৰায়
হাতে-হাত ধৰি বিজ্ঞান প্ৰজ্ঞাৰ
পথত উঠি আমি আকাশ চুবলৈ যাওঁ ।
যুগ-সভ্যতাৰ পাপ ক্লীৰময় যুগ অৱসি
আমি গঢ়ো সত্যৰ আলোকপাতে
সৌন্দৰ্যৰ নতুন ধৰণী।
হৰিজন, পাহাৰী, হিন্দু, মুছলিম
বড়ো, কোচ, চুতীয়া কছাৰী আহোম
লুইত পাৰৰ যত অসমী
আমি হ'লো অমৰণ অভগন
এক ৰক্তবীজ বিজয়ী যুগৰ।
ৰনোন্মত্ত দানৱ নাশি
গঢ়ো মানৱতাৰ পৃথিৱী।
সংস্কৃতিৰ স্ৰষ্টা আমি'
সংস্কৃতিৰ দ্ৰষ্টা আমি!
কুলষিত সমাজ নাশি
আমি গঢ়ো সভ্যতাৰ
শ্ৰেষ্ঠ "শিল্পীৰ পৃথিৱী" ।

# ককাঁলৰ বিষ

লুকুমা আইজনী

বুলি পাত্তা নিদিয়া হ'লো ; পিছে সেইদেখি কঁকালৰ বিষে ৰৌঘৰত পৰি মোৰ ওপৰত যিহে অত্যাচাৰ চলালে সেই অত্যাচাৰত এতিয়া মই অলপ সোনকালেই আইতা হ'লো। অ'আই ! কঁকালৰ এই বিষটোক পাত্তা দিলেও মৰণ নিদিলেও মৰণ। পাত্তা দিলে আপোনাৰ বাৰ্থ চাৰ্টিফিকেটখনৰ বয়সটোৰ সৈতে আপোনাৰ বয়সৰ যে কোনো মিল নাই সেয়াও আপুনি বিশ্বাস কৰি ল'বলৈ বাধ্য হ'ব। আৰু পাত্তা নিদিলে এটি শিশুৰে কন্দাৰ দৰে আপুনি হয়টো কান্দিবও লাগিবও পাৰে । কিন্তু সকলো বেয়া দিশৰ ভাল দিশ এটাও থাকে হেনো ! তাকেই মই কিছুদিনৰ পৰা বিচাৰি বিচাৰি চলাথ কৰিলো। ভাল কিছু নোপোৱা নহয় পিছে। এই ধৰক আপুনি সাউ ৎকৰে মানুহটে । পিছফাললৈ বা আগফালে হাউলিব নোৱাৰে তাৰমানে আপুনি এয়া নিশ্চিত থাকক যে আপুনি আনৰ তলতীয়া হৈ থাকিবলৈ যিখিনি শাৰীৰিক ভাৱভংগী প্ৰকাশৰ আৱশ্যক হয় সেয়া আপোনাক কাহানিও প্ৰকাশ কৰিবলৈ নিদিয়ে। কঁকালৰ বিষে একেকোবে আপোনাক চিধা কৰি দিব ।

ধৰি লঁওক আপুনি কৰবালৈ গৈছে, তাত চিনাকি



অচিনাকি ঢেৰ মানুহ আছে। সেই মানুহবোৰক এনেই এযাৰ মাত দিবলৈ যাঁওতে আপুনি অনুভৱ কৰিছে যে আপোনাৰ কঁকালখন অলপ বেছিকৈ বিষাইছে। সেইসময়খিনিত আপোনাৰ পণ্ডচ পাউদাৰ হেন বগা মুখখন অলপ কলা পৰাটো একেবাৰেই স্বাভাৱিক। কঁকালখনে দেহাটোক দিয়া বেদনাত সেই মুহূৰ্তত আপোনাৰ কান্দিব মন গ'লেও মুখত কৃত্ৰিম হাঁহি এটা ওলোমাই ল'ব লাগিব । কলা পৰা বগা মুখখন আকৌ বগা পৰা কলা মুখখন কৰা; কন্দামুৱা মুখখন হাঁহিমুখীয়া কৰা ইত্যাদি আপুনি যিমানখিনি পাৰে কৰিলে ঠিকেই, কিন্তু তাৰপিছতো আপোনাক এটা উপাধি দিয়া হ'ব । সেই উপাধিটো হ'ল - "আপুনি অহংকাৰী।" কিন্তু কঁকালৰ বিষতকৈ অহংকাৰী?


নাই, নাই ! কঁকালৰ বিষ ঠাকোতেই মই (আমি) অহংকাৰী হ'ব নোৱাৰো! কিন্তু কোনে বুজে! গতিকে আনৰ কটু কথাবোৰ এখন কাণেৰে শুনি আনখন কাণেৰে সহজ ভাৱে উলিয়াই দিবলৈ কঁকালৰ বিষে শিকাই দিছে ।

দুৰ্ভাগ্যবশতঃ (মোৰ দুৰ্ভাগ্যৰ কথা কোৱা নাই কঁকালৰ বিষৰ দুৰ্ভাগ্যৰ কথা কৈছো) দুদিন কঁকালৰ বিষ অকণমান কমিলে আজিকালি কিবা আচহুৱা যেন লাগে । এনে লাগে যেন উশাহ নোলোৱাকৈ চলি আছো। দেহাটো এনেভাৱে পাতল অনুভৱ হয় যে এনেলাগে যেন এজাক সৰু বতাহেই একমুহূৰ্ততে উৰুৱাই নিব পাৰিব। ধৰি লঁওক মোৰ ওজন যদি পঞ্চলিচ কেজি তেন্তে সেই পঞ্চলিচ কেজি ওজনৰ পাঁচ কেজি ওজন কঁকালৰ বিষৰহে। তেন্তে এইখিনি ওজন কমিলেও কিমান যে সকাহ ! কিন্তু এই সকাহখিনিক লৈ আমি যে অভ্যস্ত নহয়। সেয়ে দুদিনৰ কাৰণে কঁকালৰ বিষটো যদি অকণমান কমেও তেতিয়াও এই বিষটোলৈ মাজে সময়ে মনত পৰে। আমাক বেছি দিনলৈ দুখ নিদিয়াৰ উদ্দেশ্যে অৱশ্যে তাৰ পিছত আকৌ আহে। ঘৰৰ প্ৰাণী ঘৰলৈ উভতি অহাৰ দৰে।

দুদিনমানৰ কাৰণে খবৰ পাতি নিদিয়াকৈ নোহোৱা হৈ আকৌ যেতিয়া শৰীৰত ঠিতাপি লয়হি তেতিয়া দেহাটোৰ কষ্ট হ'লেও এয়া অনুভৱ কৰিব পাৰি যে কঁকালৰ বিষৰ আমাৰ ওপৰত একপ্ৰকাৰ অধিকাৰবোধ আছে, আৰু আমাৰ আছে কঁকালৰ বিষৰ প্ৰতি এক আন্তৰিকতাবোধ। **আগলৈ..**

# ডাৱৰ

বিপ্লৱ শৰ্মা



ডাৱৰবোৰ কেতিয়াবা চাপি আহে
সুউচ্চ পাহাৰৰ বুকুলৈ
ঠিক এনেদৰেই ।
এইয়াই জানো
প্ৰেম নহয় ডাৱৰ আৰু পাহাৰৰ ?
ডাৱৰবোৰ চাপি আহে
পাহাৰৰ অভিমান ভাঙিবলৈ
আৰু পাহাৰে অভিমান এৰি
আৱেগিক হৈ
দুহাত মেলি বুকুত সাৱটি লয়
প্ৰেম হৈ অহা সেই ডাৱৰক
আৰু সৃষ্টি কৰে
প্ৰণয়ৰ এজাক চেঁচা বৰষুণ।

# কুৰলীৰ আৱৰণি



বিশ্বজিৎ বৈশ্য,গুৱালকুছি, বংশৰ

আহিনৰ সিক্ত পাতলীয়া কুৰলীৰ আৱৰণে আনে এক অন্য মাদকতা। কুৰলীৰ টোপাল টোপাল মিছিকীয়া হাঁহিৰে দি যায় পুৱাৰ বতৰা। নিশাৰ আকাশৰ শুভ্ৰ বৰণৰ ধুৱলীৰ মাদকতাৰ এই ক্ষণত দেখা যায় সুৰসুৰীয়া বতাহজাকৰ ধেমালী। আহিনৰ সন্ধিয়াৰ এনে এক মনোমোহা পৰিবেশত আকৃষ্ট হও আমি। কুৰলীয়েও নিজৰ বৃষ্টি চটিয়াই চৌপাশৰ দিশটো নিৰ্মল কৰি তোলে। হাজাৰ বাধা ভেদি আগবাঢ়ে নিজৰ নিজৰ গন্তব্য স্থানত । যেন পলকতে হেৰাই যায় ধুৱলীৰ কুৰলী। প্ৰকৃতিৰ আহ্বান সময়ৰ নিয়ম এইবোৰেই যেন একো একোটা ঋতুৰ সংকেত।

# শেষ যাত্ৰা

নিবেদিতা দাস, মিৰ্জা



কলম হাতত কাহানিও লৈ পোৱা নাই
কবিতাৰ ভাষা বুজিও নাপাওঁ মই,
আজি মই বাধ্য হাতত কলম তুলিবলৈ তাৰ কাৰণ হ'লি তই ।
ফুলৰে সজ্জিত বাহনৰ পিছেপিছে যাত্ৰা আছিল মোৰ নৱগ্ৰহলৈ,
সেয়া সপোনৰ এটি হৃদয়বিদাৰক দৃশ্য ।
সপোন হেৰাই আজি নিমিখতে,
চিতাৰ জুইৰ ৰূপ লই
তই জাননে তোৰ চিতাৰ জুই কুৰাই,
মোৰ বুকুত এতিয়াও দপদপাই।
আহ! কিয়ে কাতৰ যন্ত্ৰণাৰ বিষ এয়া,
তই কিয় গুচি গ'লি ভণ্টি
তোৰ শেষ যাত্ৰাই বৰকৈ আমনি কৰিছে ।

# মাক আৰু সন্তান

আনখন দুৱাৰ খুলি থৈছে।

ঃমা, কি ভাবি আছা ? ব'লা সকলোৱে অপেক্ষা কৰি আছে।

ঃতাইও সকলোৱে পৰা অনুমতি লৈ গুছি আহিল, অহাৰ পৰত গৰু কেইটাৰ দায়িত্ব কাষৰে ৰমলা পেহীয়েকক দি থৈ আহিল । গিৰিয়েকৰ ফালে এবাৰো নাচালে। ককায়েকৰ ঘৰত বৌৱেকক সকলো কামতে সহায় কৰি দিয়ে তাঁত শালত বহে যিখিনি সময় পাই, উদ্দেশ্য এটাই ল'ৰা টোক মানুহ কৰাৰ। ভাগ্য সুপ্ৰসন্ন হ'ল তাইৰ অঙ্গণ বাৰী কেন্দ্ৰৰ শিক্ষয়িত্ৰী চাকৰিটো পালে। ল'ৰাটো পঢ়াত ভাল প্ৰত্যেক শ্ৰেণীত প্ৰথম হৈ গৈ থাকিল। এটা সময়ত ইউ পি এছি পৰীক্ষা সুকলমে উত্তীৰ্ণ হৈ জিলা পৰিদৰ্শক হিচাপে নিযুক্তি লাভ কৰিলে। কিন্তু ল'ৰাটোক অনাথ আশ্ৰমৰ পৰা এগৰাকী বিদ্যান ছোৱালী বিয়া পাতি দিলে, বোৱাৰী গৰাকীক নিজৰ জীয়েকৰ দৰে মৰমেৰে তাইগ্ৰহণ কৰিলে। পুতেকে তাইৰ পিতাকে দিয়া জুপুৰি ঘৰটোত ধুনীয়াকৈ আসাম টাইপৰ ঘৰ বান্ধিলে। ককায়েকৰ ঘৰৰ পৰা গুছি আহিল। আনফালে গিৰিয়েকে মদ খাই খাই বিছনাত পৰিল শেষত ল'ৰাটোই চোৱাচিতা কৰি ভাল কৰিলে ।

JANASANYOG- 1761/24/29-Sept-24

অসম চৰকাৰ

ছাত্ৰী সবলীকৰণৰ দিশে এখোজ



# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

আগন্তুক তিনিটা বৰ্ষত এই আঁচনিৰ জৰিয়তে **১০ লাখ** শিক্ষাৰ্থীক সাঙুৰি লোৱাৰ লক্ষ্য

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰীসকলৰ বাহিৰে উচ্চতৰ মাধ্যমিক, স্নাতক (বি এ/ বি এছ চি/ বি কম) আৰু স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলক উদগনি যোগোৱা এক অভিলাষী আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## উদ্দেশ্যসমূহ

- উচ্চ শিক্ষাত কন্যা শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা
- ৰাজ্যৰ অধিক সংখ্যক ছাত্ৰীৰ বাবে উচ্চ শিক্ষা লাভৰ বাট প্ৰশস্ত কৰা
- বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত অৰিহণা যোগোৱা

## সুবিধাসমূহ

- ধনী-দুখীয়া নিৰ্বিশেষে সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ

- একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,০০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১০,০০০ টকা
- স্নাতক (বি এ/ বি এছ চি/ বি কম) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,২৫০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১২,৫০০ টকা
- স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ২,৫০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ২৫,০০০ টকা

## নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা এক সৰ্বাংগীণ পদক্ষেপ

- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা
- পছন্দ আৰু অৰ্থনৈতিক স্বাধীনতাৰ বাবে শিক্ষাৰ জৰিয়তে কন্যা শিক্ষাৰ্থীসকলক সবল কৰি তোলা
- শাৰীৰিক, মানসিক আৰু আৱেগিক পৰিপক্কতাৰ পাছতহে বিবাহ সম্পন্ন কৰা
- মহিলাৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে কিশোৰী অৱস্থাৰ মাতৃত্ব হ্ৰাস কৰা

## যোগ্যতাৰ চৰ্ত


- অসমত বাস কৰা সকলো কন্যা শিক্ষাৰ্থী এই আঁচনিৰ বাবে যোগ্য
- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে) আৰু চাকৰিয়াল বি এড শিক্ষাৰ্থীসকলৰ বাবে আঁচনিৰ সুবিধা উপলব্ধ নহ'ব
- মন্ত্ৰী, সাংসদ, বিধায়কৰ কন্যা এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব
- বাণীকান্ত কাকতি বঁটা (প্ৰজ্ঞান ভাৰতী আঁচনি)ৰ অধীনত স্কুটাৰ লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব। বাণীকান্ত কাকতি বঁটা পৰিহাৰ কৰা ছাত্ৰীৰ বাবেহে এই আঁচনি প্ৰযোজ্য হ'ব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# মহাত্মা গান্ধী 'সত্য আৰু অহিংসৰ পূজাৰী'



**স্বাগতা বৰুৱা গোস্বামী**

সত্য কথা কোৱা আৰু অহিংস নীতিক জীৱনৰ ব্ৰত হিচাপে পালন কৰা মহান ব্যক্তি জনৰ নামেই হ'ল মহাত্মা গান্ধী। যাৰ প্ৰকৃত নাম আছিল মোহনদাস কৰমচাঁন্দ গান্ধী। ইংৰাজী ১৮৬৯ চনৰ ২ অক্টোবৰ দিনটো গোটেই ভাৰতবৰ্ষৰ বাবে এটা ভাল দিন আছিল। কাৰণ সেই দিনটোতে মহাত্মা গান্ধীৰ জন্ম হৈছিল। তেখেতক ৰবীন্দ্ৰনাথ ঠাকুৰে সন্মানসূচক 'মহান আত্মা' বুলি সন্মান দিছিল আৰু গোটেই বিশ্বতে তেওঁ মহাত্মা গান্ধী বুলি জনাজাত হৈ পৰিছিল।

মহাত্মা গান্ধী আছিল সত্য আৰু অহিংসৰ পূজাৰী। তেখেতৰ মতে সত্যই হ'ল ভগবান। সৰুৰে পৰাই গান্ধীয়ে সত্য আৰু অহিংসক তেওঁৰ অন্তৰত স্থান দি ৰাখিছিল। তেখেতে ভাৰতৰ স্বাধীনতাৰ বাবে অহৰহ চেষ্টা চলাই আহিছিল কিন্তু সেয়াও অহিংসৰ নীতিৰেহে। এতিয়া তোমালোকে চাগৈ ভাবিছা কেনেকৈ নো অহিংস নীতিৰে কামবোৰ কৰা হয় বা কিনো এই অহিংস নীতি। অহিংস নীতি মানে হ'ল কাকো হিংসা নকৰা। গান্ধীজীৰ জীৱনৰ ঘাই আদৰ্শ আছিল মানৱতাৱাদ, ধৰ্ম নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্ৰ। ইয়াৰ লগতে সত্য আৰু অহিংসাক তেওঁ জীৱনৰ ব্ৰত হিচাপে লৈছিল। কাৰণ গান্ধীৰ বিশ্বাস আছিল আমাৰ ভাৰতবৰ্ষৰ মানুহৰ ওপৰত। আমাৰ সভ্যতা সংস্কৃতিৰ ওপৰত। গান্ধীজীয়ে ইংৰাজৰ বিৰুদ্ধে দিয়া যুজঁখনতো তেওঁ ব্ৰিটিছৰ নীতিটোৰহে বিৰোধীতা কৰিছিল কিন্তু তেওঁ মানুহখিনিক বেয়া পোৱা নাছিল। সেইসকলক তেওঁ বন্ধু হিচাপে মানিছিল। তেওঁ কৈছিল যে শত্ৰুৰ প্ৰতি যি জন লোকে ঘৃণা ভাব নেদেখুৱাই তেওঁয়ে প্ৰকৃত সত্যাগ্ৰাহী।

মৰমৰ মইনাহঁত তোমালোকেও জীৱনত কেতিয়াও অসত্যক আশ্ৰয় নিদিবা। তোমালোকেই আমাৰ ভৱিষ্যত। কোনো মানুহক কেতিয়াও হিংসা নকৰিবা। কোনোবাই তোমালোকক কিবা কথাত আঘাত কৰিলে তোমালোকে ওলোটাই আঘাত কৰিবলৈ নাযাবা। তেতিয়া কাজিয়া বাঢ়ি গৈহে থাকে সেইসময়ত সেই স্থান ত্যাগ কৰাটো জ্ঞানীলোকৰ লক্ষণ। বিদ্যালয়ত শিক্ষকসকলৰ প্ৰতি সদায় শ্ৰদ্ধাশীল মনোভাৱ গঢ়াই তুলিবা। ডাঙৰক কেতিয়াও মিছা কথা নক'বা। মিছা কথা কোৱাটো মহাপাপ। এটা কথা সদায় জানিবা 'সত্যৰ সদায় জয়', যিমানেই তোমালোক সত্যৰ পথেৰে আগুৱাই যাবা, সিমানেই সমাজত উচ্চ স্থান লাভ কৰিবা তথা সকলোৰে প্ৰিয় পাত্ৰ হ'বা। নীতি আদৰ্শ অনুসৰণ কৰিবা সেইসকল ব্যক্তিৰ যিসকলে নিজৰ কৰ্মৰাজীৰে এই পৃথিৱীত নিজৰ চাপ এৰি থৈ যাবলৈ সক্ষম হৈছে। মহাত্মা গান্ধীও তেনে এজন ব্যক্তি যি নিজৰ সত্য আৰু অন্বেষণৰ বাবে স্থিৰ প্ৰতিজ্ঞ । গান্ধীজীয়ে কেনেকৈ ইংৰাজৰ দৰে ইমান শক্তিশালী জাতি এটাক পৰাস্ত কৰিবলৈ তেওঁৰ নীতি আৰু আৰ্দশৰ দ্বাৰা সক্ষম হৈছিল তেনে কথা জানিবলৈ তেখেতৰ কিতাপসমূহ অধ্যয়ন কৰিবা আৰু তেনে আৰ্দশ গ্ৰহণ কৰিবা। তেতিয়াহে গান্ধীৰ দৰে অমৰ হৈ ৰ'ব পাৰিবা।


# পোষণ অভিযান

**ইভা গন্ধীয়া ফুকন**



"ৰাষ্ট্ৰীয় পোষণ মাহ" ছেপ্তেম্বৰ মাহ
তৃণমূল পৰ্যায়ত সজাগতাৰ সেতু
পালন কৰা হয় মাহজোৰা কাৰ্যসূচী
উলহ -মালহে আয়োজন পোষণৰ সজাগতা সভা
পুষ্টিহীনতা দূৰ কৰা
সবল নাৰী, স্বাক্ষৰ শিশু, সুস্থ ভাৰত ইয়াৰ মূল লক্ষ্য
"পোষণ ভি পঢ়াই ভি" দুহেজাৰ চৌবিশৰ বাণী
আৰু পৰিপূৰক আহাৰ
গীত, নাট, প্লে -কাৰ্ড আদিৰে
ৰাইজক সজাগ কৰা
থলুৱা শাক- পাচলি, ফল- মূলেৰে
স্বাস্থ্যৰ পৰিপুষ্টি সাধন কৰা
কচুশাক, ঢেকীয়াশাক, মানিমুনি, ভেদাইলতা আদি
খাব লাগে ঔষধি গুণ থকা বুলি
আইৰণ ভিটামিন যুক্ত খাদ্য বিচাৰি
নালাগে যাব দূৰলৈ
আমলখি, মধুৰীআম, অমৰা, পনীয়ল,
লেটেকু বাৰীতে ৰুব লাগে
খাদ্যৰ তালিকাত থাকিব লাগে মাছ মাংস কণী আদি
সুষম আহাৰতে থাকে সুস্বাস্থ্যৰ চাবি-কাঠি
আইৰণ ফলিক এচিডৰ বড়ী সেৱন
সময়মতে স্বাস্থ্য পৰীক্ষা আদিৰে
গৰ্ভৱতী, প্ৰসুতি মাতৃ সকলৰ যতন ল'ব লাগে ভাল কৰি
এনিমীয়া, পুষ্টিহীনতা নিৰ্মূল কৰি
স্বাস্থ্যৱান শিশুৰে দেশৰ ভৱিষ্যত হওক উজ্জ্বল
বিশুদ্ধ খোৱাপানী, অনাময় আঁচনি,
সেউজ ধৰণী গঢ়াৰ সংকল্পৰে
গছপুলি ৰোপণ কৰি প্ৰদুষণৰ পৰা
বচাও ধৰণী নতুন প্ৰজন্মৰ কথা চিন্তা কৰি
পৰিষ্কাৰ পৰিচ্ছন্নতা, হাত ধোৱা প্ৰণালী মানি
জনসাধাৰণৰ কাষত থাকি সজাগতা আনি
বিগত ছয় বছৰে চলি অহা
পোষণ অভিযান সফল কৰি
সবে মিলি বান্ধো প্ৰগতিৰ সেন্দুৰীয়া আলি।

# নলেজ ইজ নট পাৱাৰ




**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

Knowledge is power? কথাষাৰ আমি শৈশৱৰে শুনি আহিছোঁ, পঢ়ি আহিছোঁ আৰু বিভিন্নজনে বিভিন্ন ঠাইত কৈ ফুৰাও দেখি আহিছোঁ। আপুনিও হয়তো একমত। কিন্তু অলপ দকৈ ভাবি চালে হয়তো মোৰ দৰে আপুনিও মানি ল'বলৈ টান পাব। চাওঁক, চাধা, চিগাৰেট, মদ- ভাং- ড্ৰাগছ আদি সেৱন কৰাটো স্বাস্থ্যৰ পক্ষে হানিকাৰক। এইটো সাধাৰণ জ্ঞানৰ বিষয়। নাৰীৰ শ্লীলতা হানি কৰিবলৈ যোৱাটো অপৰাধ, দুৰ্নীতি কৰাটো অপৰাধ, চুৰি-ডকাইতি কৰাটো অপৰাধ, মাক-দেউতাকক অপমান কৰাটোও পাপ আৰু অপৰাধ। এইবিলাক কথাও সাধাৰণ জ্ঞানৰে কথা; সেইখিনি জ্ঞান সকলোৰে আছেও। শিক্ষিত সকলৰতো কথাই নাই, একেবাৰে সাধাৰণ মানুহৰো আছে। তাৰ পিছতো সমাজত এই অসামাজিক কামবিলাক নিতৌ সংঘটিত হৈ আছে। যদি Knowledge is power হয়েই, তেন্তে এইবোৰ অপকৰ্ম সংঘটিত হ'ব পাৰিলেহেঁতেন বুলি বিশ্বাস কৰা টান।

সেইকাৰণে ভাবোঁ Knowledge is not power. বাস্তৱ সত্যটো হৈছে Execution of knowledge is power. জ্ঞানৰ উপযুক্ত প্ৰয়োগহে আচল শক্তি।

# কাৰ্বি জনগোষ্ঠীৰ পটভূমিত ৰচিত প্ৰথমখন গল্প সংকলন কেফ’ আজিন্তাক

**দেবৰ্ষি গৌতম, বনগাঁও**




“কেফ’ আজিন্তাক” নামটোৰ মাজতেই যেন এক ৰহস্য লুকুৱাই আছে। নামটো শুনাৰ লগে লগে নামটোৰ অৰ্থ কি জানিবলৈ মনত হেঁপাহ জাগি উঠে। “কেফ’ আজিন্তাক” শব্দটোৰ অৰ্থ হৈছে কাকবাঁহৰ তমাল। “কেফ’ আজিন্তাক” গ্ৰন্থখন মূলত এখন গল্প সংকলন। এই গ্ৰন্থখন ৰচনা কৰিছে অসমীয়া সাহিত্যৰ এগৰাকী প্ৰতিশ্ৰুতি সম্পন্ন গল্পকাৰ/লেখক অজয় কুমাৰ বৰাই। সম্পূৰ্ণ কাৰ্বি জনগোষ্ঠীৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ সামৰি লেখক বৰাই গ্ৰন্থখনৰ প্ৰতিটো গল্প অতি মনোগ্ৰাহী হোৱাকৈ সন্নিবিষ্ট কৰিছে। লেখক বৰাৰ গল্প সংকলন খনত সৰ্বমুঠ ১৩ টা গল্প সন্নিবিষ্ট কৰিছে। অসমত বসবাস কৰা জনগোষ্ঠী সমূহৰ ভিতৰত এক অন্যতম জনগোষ্ঠী কাৰ্বি জনগোষ্ঠীৰ পটভূমিত ৰচনা কৰা “কেফ’ আজিন্তাক” হৈছে প্ৰথমখন গল্প সংকলন। কাৰ্বি জনগোষ্ঠীৰ সামাজিক নীতি-নিয়ম, কাৰ্বিভূমিত আন্দোলনৰ সময়ৰ কাহিনী, বিভিন্ন পূজা-পাতালৰ নিয়ম আদি অতি সূক্ষ্মভাৱে সুকীয়া সুকীয়াকৈ প্ৰতিটো গল্পতে লেখক অজয় কুমাৰ বৰাই সুন্দৰ আৰু পাঠকৰ মনোগ্ৰাহী হোৱাকৈ উপস্থাপন কৰিছে। “কেফ’ আজিন্তাক” নামটোৰ অসমীয়া অৰ্থ হৈছে “কাকবাঁহৰ তমাল”। কাৰ্বি জনগোষ্ঠীৰ মূল ভাষা কাৰ্বি ভাষাৰ বহু শব্দৰ অসমীয়া অনুবাদ গল্পকাৰ বৰাই এই গল্প সংকলন খনত ধুনীয়াকৈ উপস্থাপন কৰিছে। অজয় কুমাৰ বৰাৰ গল্প সংকলন “কেফ’ আজিন্তাক”’ত সন্নিবিষ্ট কৰা প্ৰথম গল্পটোৰ নাম হৈছে ল’দেপ। ল’দেপৰ অসমীয়া অৰ্থ হৈছে “দেওধনী”। ল’দেপ মানে আচলতে কি ইয়াৰ সম্পূৰ্ণ বিৱৰণ গল্পকাৰ বৰাই গল্পটোৰ জৰিয়তে বৰ ধুনীয়াকৈ উপস্থাপন কৰিছে। কাৰ্বি লোকসকলৰ বাবে ল’দেপ হৈছে এক প্ৰকাৰৰ ধৰ্মীয় পৰম্পৰা। যি পৰম্পৰা কাৰ্বি লোকসকলৰ পূৰ্বপুৰুষৰ দিনৰ পৰাই প্ৰচলিত হৈ আহিছে। এই পৰম্পৰা সবিশেষ জানিবলৈ হলে পাঠক সকলে গল্পটো সম্পূৰ্ণৰূপে পঢ়িব লাগিব। দ্বিতীয় গল্পটো হৈছে “হেমপ্ৰেক”। হেমপ্ৰেকৰ অসমীয়া অৰ্থ হৈছে পৃথক ঘৰ। গল্পটোৰ শিৰোনাম দিবলৈ ব্যৱহাৰ কৰা কাৰ্বি ভাষাৰ এই শব্দটোৱে এক বিশেষ উৎসুকতাৰ সৃষ্টি কৰে। হেমপ্ৰেকনো আচলতে কি, কাৰ্বি সমাজত হেমপ্ৰেকৰ প্ৰভাৱ কেনেকুৱা এই সকলোবোৰ বিষয় গল্পকাৰ বৰাই এই গল্পটোৰ জৰিয়তে সুন্দৰভাৱে উপস্থাপন কৰিছে। তৃতীয় গল্পটো হৈছে ফৰং কেটেং। ফৰং কেটেং শব্দটোৰ অসমীয়া অৰ্থ হৈছে “সৰগ পূজাৰ প্ৰস্তুতি”। চতুৰ্থটো গল্পৰ শিৰোনাম হৈছে ছেৰ আৰণান। ইয়াৰ অসমীয়া অনুবাদ হৈছে সোণৰ আঙুঠি। পঞ্চমটো গল্পৰ শিৰোনাম হৈছে জেৰয় আনকবে। ইয়াৰ অসমীয়া অৰ্থ হৈছে ৰাজ্যৰ বীৰ। ষষ্ঠ গল্পটোৰ শিৰোনাম হৈছে“কেফ’ আজিন্তাক”। যিটো নাম গল্প সংকলনত ব্যৱহাৰ কৰা হৈছে। সপ্তম গল্পটোৰ শিৰোনাম হৈছে টেকে হম মাৰ্জং। ইয়াৰ অসমীয়া অৰ্থ হৈছে কোদো। অষ্টম গল্পটোৰ শিৰোনাম হৈছে কাংহন। ইয়াৰ অসমীয়া অৰ্থ হৈছে মৰম। নৱম গল্পটোৰ শিৰোনাম হৈছে মেং। ইয়াৰ অসমীয়া অৰ্থ হৈছে মেকুৰী। দশম গল্পটোৰ শিৰোনাম হৈছে মুনিত লাংন’। ইয়াৰ অসমীয়া অৰ্থ হৈছে বেয়া মানুহ। একাদশ গল্পটোৰ শিৰোনাম হৈছে চমাংকান। ইয়াৰ অসমীয়া অৰ্থ হৈছে শ্ৰাদ্ধ। দ্বাদশ গল্পটোৰ শিৰোনাম হৈছে কাংতুং। ইয়াৰ অসমীয়া অৰ্থ হৈছে কামনা। ত্ৰয়োদশ কুৰ কাংঠুৰ। ইয়াৰ অসমীয়া অৰ্থ হৈছে জাতত তোলা। প্ৰতিটো গল্পৰ শিৰোনাম সমূহ যিদৰে অতি মনোগ্ৰাহী ঠিক একেদৰে গল্পকাৰ বৰাই গল্পৰ ভিতৰভাগটো পাঠকৰ মনোগ্ৰাহী হোৱাকৈ কাৰ্বি জনগোষ্ঠীৰ প্ৰতিটো স্তৰৰ লোকককৰ চুই যোৱাকৈ বিষয়বস্তু সমূহ উপস্থাপন কৰিছে। গল্প সংকলন খনত গল্পকাৰে যিহেতু তেৰটা গল্প সন্নিবিষ্ট কৰিছে গতিকে প্ৰতিটো গল্পৰে বিষয়বস্তু পৃথকে পৃথকে বিশ্লেষণ কৰিলে সেয়া বহু দীঘলীয়া হৈ পৰিব। গতিকে প্ৰতিটো গল্পৰ শিৰোনাম আৰু ইয়াৰ অসমীয়া অৰ্থ সমূহ পাঠকৰ সহায় হোৱাকৈ সন্নিবিষ্ট কৰা হৈছে। গল্পৰ শিৰোনামৰ বাবে ব্যৱহাৰ কৰা প্ৰতিটো কাৰ্বি ভাষাৰ শব্দ আচলতে পাঠক সমাজৰ মনত উৎসুকতা সৃষ্টি কৰিব পৰা একোটা শব্দ। শব্দ সমূহ চকুত পৰা পিছত প্ৰায় প্ৰতিগৰাকী পাঠকৰে মন যাব যে গল্পকাৰ বৰাই আচলতে গল্পটোৰ ভিতৰভাগত কিনো বৰ্ণনা আগবঢ়াইছে এবাৰ পঢ়ি চাওঁ বুলি। কাৰ্বি জনগোষ্ঠীৰ বিষয়ে নজনা বহু কথাৰ যে উমান অজয় কুমাৰ বৰাৰ এই গল্প সংকলন খনৰ পৰা পাঠক সকলে লাভ কৰি সেয়া নিশ্চিত। নজনা কথা সমূহৰ উপৰিও কাৰ্বি সমাজত প্ৰচলিত বহু জনা অথবা শুনা বহু নীতি নিয়ম আৰু কৰ্মৰ বিষয়েও পাঠক সমাজে বহু নতুন নতুন তথ্য লাভ কৰিব পাৰিব এই গল্প সংকলন খনৰ পৰা। কাৰ্বি সমাজৰ পটভূমিত ৰচনা কৰা গল্পকাৰ অজয় কুমাৰ বৰাৰ “কেফ’ আজিন্তাক” নামৰ এই গল্প সংকলন খন ভৱিষ্যতৰ দিনত এক তথ্য সমৃদ্ধ গ্ৰন্থ হিচাপে ব্যৱহাৰ কৰিব পৰা যথেষ্ট সম্ভাৱনীয়তা আছে। গল্পকাৰে নিজে কাৰ্বি সমাজক প্ৰতিনিধিত্ব নকৰিলেও কিন্তু কাৰ্বি সমাজৰ প্ৰতিটো দিশ এই গল্প সংকলন খনৰ মাজেদি উপস্থাপন কৰাটো গল্পকাৰৰ এক মহৎ প্ৰচেষ্টা বুলি কব লাগিব। গল্পৰ মাজেদি পাঠকৰ মনোগ্ৰাহী হোৱাকৈ কিছুমান কাহিনী সৃষ্টি কৰি নিজে প্ৰতিনিধিত্ব নকৰা অন্য এটা জনগোষ্ঠীৰ বিষয়ে এনেদৰে উপস্থাপন কৰাটো অতিকৈ কঠিন কাম। কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন দিশ সামৰি এখন গল্প সংকলন প্ৰকাশ কৰাৰ সদিচ্ছাই গল্পকাৰ অজয় কুমাৰ বৰা যে এক উদাৰ মনৰ অধিকাৰী সেয়া প্ৰমাণ কৰিছে।

# এটা চাকৰি লাগে মোক

**কল্পনা বৰা, গোলাঘাট**




চাকৰি এটাৰ বৰ প্ৰয়োজন মোক  
লাখটকীয়া দৰমহাৰ এটি চাকৰি নহ’লেও হ’ব।  
আমি সৰু মানুহ  
বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ অধিকাৰ আমাৰ নাই  
এটি সৰু চাকৰি লাগে মাথোঁ।  
বয়সে আচোঁৰা বুঢ়া পিতাইৰ তেজবোৰক  
আৰু কিমান পানী কৰিব দিম ?  
বেমাৰী আইক চকুৰ সমুখতে  
তিলতিলকৈ কেনেকৈ মাৰিম ?  
এটি চফল ডেকা হৈ  
বিশটকীয়া নোটখনকে যেতিয়া হাত পাতো  
বৃদ্ধ পিতাইৰ ওচৰত,  
বুকুখনত কোনোবাই হাতুৰীৰে কোবোৱা যেন লাগে অ’  
শব্দবোৰেও যেন জিভাৰ আগত ওলমি বৈ মোক অপমান কৰে  
লাজ, অস্বস্তিত চকুৰ দুপাৰি মোৰ কঁপি উঠে ।  
ডাঙৰ সপোন বুকুত বান্ধি  
বিলাসী জীৱন কটোৱাৰ হাবিয়াস মোৰ নাই  
এটি পথ লাগে মাথোঁ উপাৰ্জনৰ।  
পিতাইৰ হালখনকে ধৰি  
খেতি কৰিবলৈ মাটি নাই ;  
ব্যৱসায় কৰিবলৈও পিতাইৰ যে টকা নাই।  
বহুত সৰু মানুহ অ’ আমি ।  
ৰাতি হ’লে দুচকুৰ টোপনি এৰি  
ফটা জেপৰ পাঁচটকীয়া নোটকেইটা হিচাপ কৰোঁ,  
ভগা পালেংখনতে ইকাটি-সিকাটি কৰি ছটফটাই মৰোঁ।  
এৰা ! দুচকুত সৰু সপোন লৈয়ে জীৱন জীয়াইছো  
চাকৰি এটা পালেই  
সকলোবোৰ মই অকলেই কৰিম ।  
বুঢ়া পিতায়ে ঘামবোৰ আৰু মাটিত পেলাব নালাগে  
বেমাৰী আইয়েও বিচনাত পৰি  
মৃত্যুৰ ক্ষণ গণি জীয়াব নালাগে।  
এটি সৰু চাকৰি লাগে মোক  
লাখটকীয়া চাকৰি নহয় !  
শেঁতা পৰা মুখলৈ হাঁহিবোৰ ঘূৰাই আনিব পৰাকৈ  
এটি সৰু চাকৰি লাগে ।

# ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জীতেন হাজৰিকাৰ

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জীতেন হাজৰিকাই দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক যোৱা ২৭ ছেপ্তেম্বৰত সাক্ষাৎ কৰে। ১৯৬৫ চনত প্ৰতিষ্ঠা লাভ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০২৫ চনত গৌৰৱোজ্জ্বল "হীৰক জয়ন্তী" বৰ্ষত ভৰি দিব। মনকৰিবলগীয়া যে বিশ্ববিদ্যালয়খনে ষাঠী বছৰত ভৰি দিয়াৰ প্ৰাক্-ক্ষণত প্ৰধানমন্ত্ৰীৰ উচ্চতৰ শিক্ষা অভিযানৰ অধীনত বহুমুখী শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয় 'মেৰু'ৰ Multidisciplinary Education and Research University চমুকৈ MERU মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয়। এই সাক্ষাতত উপাচাৰ্যগৰাকীয়ে এই সাফল্যৰ বিষয়ে মহামান্য ৰাষ্ট্ৰপতিক অৱগত কৰে আৰু প্ৰতিষ্ঠাৰ দিনধৰি দেশৰ উচ্চশিক্ষাৰ ক্ষেত্ৰখনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আগবঢ়োৱা বলিষ্ঠ অৱদানৰ এক খতিয়ান দাঙি ধৰে। লগতে এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশ্ববিদ্যালয় হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি গৰাকীৰ পৰা দিহা-পৰামৰ্শ বিচাৰে। উল্লেখ্য যে অহা ফেব্ৰুৱাৰী মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। উপাচাৰ্যগৰাকীয়ে এই অনুষ্ঠানলৈও ৰাষ্ট্ৰপতিগৰাকীক আমন্ত্ৰণ জনায়।



# বে-চৰকাৰী অনুষ্ঠান সাহস-ৰ টীমে মাজুলীৰ বিভিন্ন স্থানত ৰূপায়ন কৰিছে চাফাই অভিযান কাৰ্যসূচী



ৰঙিলী বাৰ্তাসেৱা- চৰকাৰী কাৰ্যসূচী "স্বচ্ছতা হি সেৱা-২০২৪" লৈ বিশেষ সহযোগ আগবঢ়াই 'সাহস' নামৰ বে-চৰকাৰী অনুষ্ঠানটোৱে যোৱা ১৭ চেপ্তেম্বৰৰ পৰা মাজুলীৰ বিভিন্ন স্থানত চাফাই অভিযান কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। মাজুলীত শুকান জাবৰ ব্যৱস্থাপনাৰ ওপৰত কাম কৰি থকা এই অনুষ্ঠানটোৱে বিগত দিনকেইটাত কমলাবাৰী ঘাট অঞ্চল, কমলাবাৰী স্বাস্থ্য কেন্দ্ৰ, ব্লক তিনিআলি, ধাপাক গাওঁ, জেংৰাইমুখ, নয়াবজাৰ, হালধীবাৰীকে ধৰি বিভিন্ন স্থানত মাজুলী জিলা প্ৰশাসন আৰু স্থানীয় জনসাধাৰণৰ সহযোগত চাফাই অভিযান কাৰ্যসূচী কৰি গৈছে। উল্লেখযোগ্য যে, সাহসে মাজুলীৰ ৫ খন পঞ্চায়তৰ গাঁৱে গাঁৱে গৈ ঘৰুৱা পৰ্যায়ত তথা দোকান-পোহাৰ সকলোতে শুকান জাবৰ ব্যৱস্থাপনাৰ ওপৰত গুৰুত্ব দি একোটাকৈ নীলা বেগ প্ৰদান কৰি জনসাধাৰণক সজাগ কৰিছে।

# এন আৰ চিত নাম নথকা

২০২৪ চনত অন্তৰ্ভুক্ত হৈছে, ইয়াৰ পূৰ্বে তেওঁলোকৰ নাম ক'ৰ ভোটাৰ তালিকাত আছিল সেয়া পৰীক্ষা কৰি সেইসকল লোক ভাৰতীয় নাগৰিক হয় নে নহয়, বিচাৰ কৰিব। ২০০১ চনৰ ভোটাৰ তালিকাৰ পৰা সেইসকল লোকৰ নাম বিচাৰ কৰা হ'ব। অৱশ্যে আদিবাসী আৰু ৰাজ্যখনৰ মূল বাসিন্দাসকলৰ ক্ষেত্ৰত তেনেদৰে বিচাৰ কৰাৰ প্ৰয়োজনীয়তা নাথাকিব। কাৰণ সেইসকল লোকৰ পিতৃ-মাতৃৰ নাম নিশ্চিতভাৱে পূৰ্বৰ ভোটাৰ তালিকাত আছে। ইপিনে, আসন্ন ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিয়ে জেডি (ইউ) আৰু এজে এছ (ইউ)ৰ জোঁটবন্ধনত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে ইতিমধ্যে আসন বুজাপৰাৰ ৯৯ শতাংশ চূড়ান্ত হৈছে। এখন-দুখন আসনক লৈ চৰ্চা বাকী আছে। সমাগত দুৰ্গাপূজাৰ পাছতেই আসন বুজাপৰাৰ প্ৰক্ৰিয়া চূড়ান্ত কৰা হ'ব। আনহাতে, অসমৰ চাহ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিবলৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক পত্ৰ দিয়াৰ প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে মেয়ো ইয়াৰ উত্তৰ দিম। এই প্ৰসংগতে তেওঁ কল্পনা ছোৰেনৰ নাম উল্লেখ কৰি কয় যে ঝাৰখণ্ডত কল্পনা ছোৰেনে আদিবাসীৰ বাবে সংৰক্ষিত আসনত কিয় নিৰ্বাচন খেলিব নোৱাৰে, তাৰ উত্তৰ হেমন্ত ছোৰেনৰ ওচৰতে আছে নে।

# চাহ বাগিচাৰ শ্ৰমিকক

আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। কিন্তু মালিক পক্ষই তেওঁলোকক ১৫ শতাংশ বোনাছ আদায় দিব বিচাৰিছে। আমি আম আদমী পাৰ্টিয়ে শ্ৰমিক সকলৰ ন্যায্য দাবী মানি ল'বলৈ চাহ বাগিচা কৰ্তৃপক্ষক আহ্বান জনাইছোঁ।" আপৰ জ্যেষ্ঠ নেতা ৰাজীৱ শইকীয়াই কোম্পানী আইনৰ অধীনতে শ্ৰমিক সকলে ২০ শতাংশলৈকে বোনাছ পাব লাগে বুলি মত ব্যক্ত কৰে। তেওঁ কয়, " ইতিপূৰ্বে চৰকাৰেও ২০ শতাংশ বোনাছ দিবলৈ বাগিচা কৰ্তৃপক্ষলৈ নিৰ্দেশ দিছিল। অথচ চৰকাৰৰ নিৰ্দেশ তথা কোম্পানী আইন উলংঘা কৰি শ্ৰমিক সকলক বঞ্চিত কৰিব বিচাৰিছে।" উল্লেখ্য যে চাহ বাগিচাত কাম কৰা শ্ৰমিক সকলে দুৰ্গা পূজাৰ পূৰ্বে লাভ কৰা বোনাছৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ পৰিয়ালৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰে। বছৰটোৰ অধিক সময় তেওঁলোকেপ্যঁনতম মজুৰিত কঠোৰ পৰিশ্ৰম কৰে। এই সকল শ্ৰমিকক সকাহ আৰু কৰ্মক্ষেত্ৰত উৎসাহ যোগোৱাৰ বাবেই মালিক পক্ষক ২০ শতাংশ বোনাছৰ দাবী মানি ল'বলৈ আপৰ নেতাগৰাকীয়ে আহ্বান জনায়।

# তথ্যচিত্ৰ 'পঞ্চকৰ্ম'ৰ

বিশিষ্ট ব্যক্তি উপস্থিত থাকি আদৰণীয় বক্তব্য আগবঢ়াই । সংগীতশিল্পী সোনমণি দত্ত আৰু জ্যোতিষী লীলামাধৱ শইকীয়াই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত ডাঃ শচীন্দ্ৰ বৰ্মনে অভিজ্ঞতা সম্পন্ন বক্তব্যৰে উপস্থিত সকলোকে আপ্লুত কৰে। পল্লৱ মহন্তৰ আদৰণি ভাষণেও সকলোকে মুগ্ধ কৰে। বিশিষ্ট সাংস্কৃতিকৰ্মী গগণাষ্টম গগৈয়ে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানটোত অসমৰ আয়ুৰ্বেদিক চিকিৎসা সন্দৰ্ভত বিভিন্ন গঠনমূলক কথাৰ আলোকপাত হয়। আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰে বিভিন্ন ৰোগ নিৰাময় কৰাৰ ক্ষেত্ৰত লব পৰা সজাগতা আৰু উপকাৰিতা সম্পৰ্কত তথ্যচিত্ৰখনিত পুংখানুপুংখভাৱে উপস্থাপন কৰা হৈছে। অসমৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত 'পঞ্চকৰ্ম' (Nactar of life)-ই যে এক সুষ্ঠ বাতাবৰণ কঢ়িয়াই আনিব পাৰিব সেয়া দাঠি কব পাৰি। তথ্যচিত্ৰখনৰ চিত্ৰনাট্য- নয়নী বৰগোহাঁই, নেপথ্য কণ্ঠ- ৰঞ্জন শৰ্মা, সম্পাদনা- তিলক ৰঞ্জন আৰু কেমেৰা- চবিৰৰ। পল্লৱ মহন্ত আৰু ডাঃ শচীন্দ্ৰ বৰ্মনৰ এই প্ৰচেষ্টাক উপস্থিত সকলোৱে শলাগ লয়।

# অহা ৪ অক্টোবৰৰ পৰা

দলৰ সদস্য ভৰ্তি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কয় যে বিজেপিৰ সদস্যতা ভৰ্তি অভিযান দেখি কংগ্ৰেছৰ হিংসা লাগিছে। কংগ্ৰেছ জ্বলি পকি মৰিছে। যোৱাটো সদস্যতা ভৰ্তি অভিযানত বিজেপিৰ সদস্য আছিল ১৮ লাখ। এই চলিত সদস্যতা ভৰ্তি অভিযানত আমাৰ সদস্য এতিয়ালৈ ৫০ লাখ। ভয়-ভাবুকিৰে বিজেপিৰ সদস্য ভৰ্তি কৰাব নোৱাৰি । ইয়াৰ বাবে এটা প্ৰক্ৰিয়া আছে। আমাৰ সদস্য ৫০ লাখ হোৱাৰ বাবে কংগ্ৰেছ জ্বলি পকি মৰিছে। কংগ্ৰেছৰ সদস্য ভৰ্তি ক'ৰবাত ক'ৰবাত হয় অসমৰ সকলো ঠাইতে নহয়। কংগ্ৰেছৰ সদস্য ভৰ্তি নামনি অসমত, নগাঁৱৰ এটা বিশেষ অঞ্চলত, মৰিগাৱৰ এটা বিশেষ অঞ্চলত আৰু চৰ অঞ্চলত হ'ব। বাকী ঠাইত কংগ্ৰেছৰ সদস্য পদ কোনেও গ্ৰহণ নকৰে বুলি দাবী কৰিছে তেওঁ। মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মেলত ঘোষণা কৰে যে অহা ৪ অক্টোবৰৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব বিহালী সমষ্টিৰ সম জিলা। তদুপৰি ৪ অক্টোবৰৰ দিনাই লখিমপুৰ জিলাত অনুষ্ঠিত কেবিনেট সভাত অনুমোদিত বেদেতী আদৰ্শ মহাবিদ্যালয়ৰো আধাৰশিলা স্থাপন কৰা হ'ব বুলি অৱগত কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মেলত প্ৰকাশ কৰে যে অহা ৪ অক্টোবৰত বিহালীৰ দুই আধাৰশিলা স্থাপন অনুষ্ঠানত শিক্ষামন্ত্ৰী ডঃ ৰনোজ পেগু আৰু মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকিব। উল্লেখ্য যে উক্ত সভাখনত কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা উপ-নিৰ্বাচন সমিতিৰ এগৰাকী অন্যতম তত্ত্বাবধায়ক দিগন্ত কলিতা, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিজেপি বিশ্বনাথ জিলা সমিতিৰ সভাপতি দিগন্ত ঘাটোৱাৰ প্ৰমুখ্যে বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাজ্যিক, জিলা, মণ্ডল আৰু বুথৰ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে ।

# দক্ষিণ কামৰূপ

নথকা ঠাইত পৰ্যটনে গা কৰি নুঠে। পৰ্যটনে মানুহক আনন্দ, ফুৰ্তি, চিন্তা কি দিব নোৱাৰে বুলি উল্লেখ কৰে। তেওঁ কয় বৰ্তমানলৈকে বিশ্বৰ চাৰি হাজাৰ বিদেশী পৰ্যটকৰ সৈতে কাম কৰি আহিছে। তেওঁ লগতে হোম ষ্টে, গ্ৰাম্য পৰ্যটন, ৱাইল্ড লাইফ ট্যুৰিজিম, চাহ ট্যুৰিজিম, কমিউনিটি ট্যুৰিজিম আদিৰ বিষয়ত বক্তব্য প্ৰদান কৰে। তেওঁ ছাত্ৰ ছাত্ৰীসকলক কয় পৰ্যটনে সকলো কামেই সম্ভৱ কৰি তুলিব পাৰে। ছাত্ৰ ছাত্ৰী, অধ্যাপক অধ্যাপিকাসকলক তেওঁ উৎসাহ যোগাই ভৱিষ্যত পৰ্যটনৰ বাবে আগবাঢ়ি আহিবলৈ কয়। আৰম্ভণিতে এই পৰ্যটন দিৱসৰ তাৎপৰ্য আৰু সঞ্চালক উদিত ভানু বৰঠাকুৰৰ বিষয়ে কয় মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ মাধুৰি শইকীয়াই। তেওঁ ছাত্ৰ ছাত্ৰীসকলক পৰ্যটনৰ পৰা হ'ব পৰা শান্তি, প্ৰগতিৰ বিষয়ে কয়। এই পৰ্যটন দিৱসত আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃনৱজ্যোতি দাসে। তেওঁ পৰ্যটন আৰু শান্তি মানুহৰ প্ৰধান পথ বুলি কয়। পৰ্যটনে বিভিন্ন জাতি জনগোষ্ঠীৰ ভৌগোলিক, সাংস্কৃতিক পৰিৱেশ অনুধাৱন কৰাত সহায় কৰে। ফলত মানুহৰ দৃষ্টিভংগী সলনি হৈ যায় বুলি উল্লেখ কৰে। এই পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি ফটো গ্ৰাফী প্ৰতিযোগিতা, থলুৱা খাদ্য মেলা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। এই দিৱসতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগিলৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। উল্লেখ যে এই মহাবিদ্যালয়খনত বছৰি বুৰঞ্জী বিভাগৰ উদ্যোগত পৰ্যটন দিৱস উদযাপন কৰি আহিছে।

# ENGLISH NEWS SECTION

## Raj Bhavan, Assam signs an MoU with Paavan Chintan Dhara Ashram for civil service aspirants



Guwahati, RB News: Giving Assam Governor Shri Lakshman Prasad Acharya's initiative for civil service aspirants a final touch, Raj Bhavan Assam signed a Memorandum of Understanding (MoU) with Paavan Chintan Dhara Ashram in presence of the Governor at a function held at Assam Bhawan, New Delhi. It may be noted that Commissioner and Secretary to the Governor of Assam, S.S. Meenakshi Sundaram and Dr. Kavita Asthana, Secretary signed the MoU on behalf of Raj Bhavan, Assam and Pawan Chintan Dhara Ashram respectively. The MoU, which is a part of Governor of Assam's Pratibha Protsahan Yojana 2024-25, is a way forward towards implementing and taking the initiative to its rightful and logical conclusion. Sharing his vision on the occasion, Governor Shri Acharya said that Assam like its natural resources is very rich in its human resources. The youth of the state are very competent and given the right platform they will excel and bring laurels to the state. keeping this vision in mind and giving youth the right platform to excel, Raj Bhavan Assam formulated the scheme namely Governor Assam's Pratibha Pratsahan Yojana.

## Governor attends 11th Convocation of Assam Down Town University



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya advocated the importance of skill based education as he said that the universities should turn themselves into a nerve-centre to stimulate and hone the intellectual and practical skills of the students and change them into job creators. Addressing the 11th convocation of Assam down town university at its campus at Panikhaiti today, Governor Shri Acharya called upon the university to play the role of facilitators to skilling the students and make them job creators. He also said that in the present day situation when the demand for job markets is rapidly changing, Assam down town university should take the lead in making its students intellectually, cognitively and physically skilled. The Governor who is also the Visitor of the University said that the importance of skill-based education has increased and the university's role is not just to make students employable but to turn them into employers. He also asked the University to act responsibly so that technology can uplift mankind intellectually and morally not just materially.

## Josh Hull ruled out of Pakistan Test tour due to quad injury




RB News: Josh Hull has been ruled out of England's upcoming Test tour of Pakistan due to a quad injury. The injury, which he sustained during his debut in the final Test of the summer against Sri Lanka, has forced England's selectors to make the tough decision of standing him down for the three-match Test series.

## Dwayne Bravo replaces Gautam Gambhir as KKR mentor




RB News: Dwayne Bravo has replaced Gautam Gambhir as KKR mentor, hours after announcing his retirement from all forms of cricket. "This is the perfect platform for me as I transition from playing to mentoring and coaching the next generation of players," Bravo said. Gambhir had left the post after being appointed the head coach of Team India.

## Censor Board demands 13 cuts in Kangana's 'Emergency'




RB News: The CBFC has asked makers of Kangana Ranaut's 'Emergency' to make 13 changes and has issued the film a U/A certificate. According to India Today, the new cuts recommended include removal of Bhindranwale references as 'sant' and a dialogue by Bhindranwale. It has also asked the makers to add a disclaimer wherever real-life footage from the past has been used.

## Dwayne Bravo retires from all forms of cricket



RB News: West Indian all-rounder Dwayne Bravo has retired from all forms of cricket at 40 after a 21-year career. "Today is the day I say goodbye to the game that has given me everything. From the age of five, I knew this was what I wanted to do-this was the sport I was destined to play. I had no interest in anything else, and I dedicated my entire life to you. In return, you gave me the life I dreamed of for myself and my family. For that, I can't thank you enough,"

অনুগল্প


# বেদনাৰ অশ্ৰু

পৰিস্মৃতা বৰা হাজৰিকা ,মাজুলী

বাৰাণ্ডাতে বহি উচুপি আছে ৰমলা পেহীয়ে। আজি একমাত্ৰ পুত্ৰৰ জন্মদিন। বাৰে বাৰে মনত পৰিছে অতীতৰ সেই দিনবোৰ ।মধুৰ স্মৃতিবোৰ ভাহি উঠিছে দুচকুত । চাদৰৰ আচলেৰে চকুলো টুকিছে নিৰবে - নিশব্দে। সময়বোৰ দ্ৰুত গতিত পাৰ হৈ গল ৰমলা পেহীৰ চকুৰ সন্মুখতে। ধৰি ৰাখিবৰ চেষ্ঠা কৰিও ৰাখিব নোৱাৰিলে হেপাহৰ দিনবোৰ। এজাক ধুমুহাই শেষ কৰি যোৱা সপোনৰ ঘৰখন চাই হীয়া ভুকুৱাই কান্দিছে মানুহজনীয়ে ।কিমান কষ্টৰে গঢ় দিছিল ঘৰখন । স্বামীৰ মৃত্যুৰ পিছত লোকৰ ঘৰত হাজিৰা কৰি ঘৰ চলোৱাৰ লগতে পুত্ৰৰ পঢ়াৰ খৰচ যোগাৰ কৰিছিল ।কিন্তু পঢ়ি শুনি ভাল চাকৰি কৰি পাহৰি গল মাকৰ মৰম ।চহৰৰ ছোৱালী বিয়া কৰাই পত্নীৰ কথা মতেই গাৱৰ পৰা, মাকৰ পৰা আতৰি গল চিৰদিনৰ বাবে । শূন্য হৈ গল ৰমলা পেহীৰ বুকুখন । দুখ হুমুনিয়াই বেৰি ধৰিলে মানুহ জনীক ।বেমাৰে কোঙা কৰি অনা মানুহ জনীক চাবলৈ সময় নাই একমাত্ৰ পুত্ৰৰ । এসময়ৰ সুখৰ সংসাৰ খন ভাগি যোৱাৰ দুখতেই উচুপি উঠিল মানুহ জনী ।নিজৰ মাতৃত্বৰ ওপৰতেই ঘৃণা উপজিল মানুহজনীৰ । কি পাপৰ ফলত এনে সন্তানৰ মা হল ? শিক্ষা দিওঁতই ভুল হল চাগৈ । কান্দি উঠিল ৰমলা পেহী ।চিৰ দিনৰ বাবে পাহৰি যাব চেষ্ঠা কৰিলে একমাত্ৰ পুত্ৰৰ মুখ খন ।কান্দি কান্দি সাবটি ধৰিলে পুত্ৰৰ ফটোখন । জোৰেৰে, খুব জোৰেৰে ফটোখন সাবটি কান্দিলে ৰমলা পেহীয়ে ।



JANASANYOG- 1764/24/29-Sept-24




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286